## Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/165 | Language of work: Assamese |
| Author (s) / Editor (s): Lakshinath Bezbaruah | |
| Title: বাঁহী | |
| Transliterated Title: Baãhai | |
| Translated Title: | |
| Place of Publication: Kalkata (Calcutta) | Publisher: Editor. |
| Year: 1913, 14, 15, 16, 17, | Edition: |
| Size: 21 cms | Genre: Magazine |
| Volumes: IV, V, VI, VII, VIII | Condition of the original: Brittle. |
| Remarks: 1st 2 volumes reprinted in the year 1999. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

# বাঁহী।

(মাহেকীয়া কাকত)

ষষ্ঠ বছৰ।

শক ১৮৩৬—৩৭।

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা
সম্পাদিত।

বেচ ২৲ ২টকা

## সূচী।

অ। আ।


| | | |
|---|---|---|
| অমর প্রকাশ | শ্রীকৃষ্ণকান্ত সন্দিকৈ | ৫৭ |
| অরতাৎবাদ | শ্রীযজ্ঞপতি শর্ম্মা | ১৭ |
| অসমীয়াৰ আহাৰ আৰু স্বাস্থ্য | শ্রীইন্দ্ৰনাথ গোস্বামী | ৫৪৫ |
| অসমীয়া ন লিখাৰুৰ মহানিদ্ৰা | শ্রীকৃষ্ণকান্ত সন্দিকৈ | ১০৭ |
| অদ্ভুত জাতি | এম্, মোছলেহ উদ্দিন আহম্মদ | ১১৫ |
| অতীতৰ উক্তি | শ্রীপ্রেমধৰ চলিহা | ৩৮১ |
| অসমীয়া মুচলমান | এম্, মোছলেহ উদ্দিন আহম্মদ | ৪০৩ |
| অনৰেবল ডাক্তাৰ সতীশচন্দ্ৰ বন্দোপাধ্যায় | শ্রীকৃষ্ণকান্ত সন্দিকৈ | ৪৯০ |
| অনৰেবল মাণিকচন্দ্ৰ বৰুৱা | সম্পাদক | ৬১২ |
| আমাৰ তীৰ্থপৰ্য্যাটন | শ্রীবৃহস্পতি শৰ্ম্মা | ২৫ |
| আমাৰ অৱস্থাৰ একাংশ | এম, মোছলেহ উদ্দিন আহম্মদ | ৬৫৭ |
| আসামত বৈষ্ণৱ ধৰ্ম্ম | শ্রীহৰমোহন দাস | ৬৭ |
| আনন্দ বাজাৰ | শ্রীমহাদেৱ শৰ্ম্মা | ১১৫ |
| আৰব্যকীয় কথাৰ চুটিমান | এম মোছলেহ উদ্দিন মহম্মদ | ১৮০ |
| আত্মদান ( কবিতা ) | শ্রীৰাজিবলোচনচন্দ্ৰ ( মাতৃদেৱতা ) | ২২৩ |
| আবাহন ( কবিতা ) | শ্রীত্ৰৈলোক্য শোভনচন্দ্ৰ গোস্বামী | ২৪১ |
| আপলল বাটতে ( গীত ) | শ্রীকৃপাবৰ | ২৫১ |
| আহাৰ্য্যৰ দোষ | এম মোছলেহ উদ্দিন আহম্মদ | ২৫৬ |
| আহোম ৰজাৰ ৰূপৰ বিষয়ে | শ্রীলক্ষ্মীনাথ ফুকন | ২৮৫ |
| আগৰ কথা | শ্রীভ্ৰমৰ শইকীয়া | ৩২০ |
| আমি আৰু অন্তৰ কথা (কবিতা) | শ্রীযতীন্দ্ৰনাথ দুৱৰা | ৪১৪ |
| "আহোম ৰজাৰ ৰূপৰ বিষয়ৰ" ওপৰত্তি | শ্রীহিতেশ্বৰ বৰবৰুৱা | ৪৫৩ |
| আমাৰ স্বাৰ্থপৰতা আৰু অবিয়াৰ্বি | সম্পাদক | ৪৪৬ |
| আনন্দৰাম ( কবিতা ) | শ্রীকৃষ্ণকান্ত সন্দিকৈ | ৪৮৮ |
| আশঙ্কা | শ্রীৰাধিকানাথ গোস্বামী | ৪৯৭ |
| আগৰ কথা | শ্রীৰ্দ্দাম কোঁৱৰ | ৫১৮ |

| | | |
|---|---|---|
| ...হোম বজাৰ দিনীয়া বিময়াসকলৰ ক্ষমতা | শ্ৰীতোলনচন্দ্ৰ দাস | ৬০২ |
| ...নাম-সঙ্গীত | শ্ৰীলক্ষীনাথ বেজবৰুৱা | ৬১৭ |
| "...ৰি চৰিত্ৰ"ত অনিৰুদ্ধদেৱ | শ্ৰীউৎসৱানন্দ গোস্বামী | ৬০৩ |
| | ই। | |
| ইছলাম সোপান | এম্ মোছলেহ উদ্দিন আহম্মদ | ১৫৬ |
| | উ। | |
| উৎসাহ ( কবিতা ) | শ্ৰীশ্ৰীআৰ, এল্ চন্দ্ৰ ( মাজুদেৱতা ) | ৩৯১ |
| উন্নতিৰ উপায় | এম্. মোছলেহ উদ্দিন আহম্মদ | ৫৪৫ |
| | এ। | |
| একেই | শ্ৰীবিষ্ণুৰাম বড়া | ৬৬১ |
| এখন চিঠি | শ্ৰীজে, বেজবৰুৱা | ৩৮ |
| এখন চিঠি | শ্ৰীদ্বাৰিকানাথ দেৱশৰ্ম্মা গোস্বামী | ৯৫ |
| এটি কথা | " | ১৫৯ |
| এলেঙ্গী সত্ৰৰ বিষয়ে | শ্ৰী.কমলকান্ত দেৱ মহন্ত | ২১৬ |
| এখন চিঠি | শ্ৰীমন্মেলেচ | ৩১৭ |
| এখন চিঠি | শ্ৰীনবোৱা সত্ৰাধিকাৰ গোস্বামী | ৩৭৭ |
| এখন মুকলি চিঠি | শ্ৰীদ্বাৰিকানাথ গোস্বামী | ৫০১ |
| এনেকুৱাহে আমাৰ শাস্ত্ৰ | শ্ৰীদেৱেশ্বৰ চলিহা | ৫৭৮ |
| | ও। | |
| ওমৰ বেন অল্ খেতাব | এম্. মোছলেহ উদ্দিন আহম্মদ | ৫৯১ |
| | ক। | |
| কৈৱৰ্ত্ত ( নদীয়াল ) | ৺চন্দ্ৰকান্ত বৰুৱা | ১৫ |
| ক্লাইভ.ক ( কবিতা ) | শ্ৰীদেৱেশ্বৰ চলিহা | ৪৫ |
| কিতাপ...প্ৰাপ্তি স্বীকাৰ | সম্পাদক | ১৪৭ |
| | খ। | |
| খবৰ দবৰ | এম, মোছলেহ উদ্দিন আহম্মদ | ১৯২ |
| খামতী | শ্ৰীপ্ৰেমধৰ চলিহা | ১৭৮ |





| | | |
|---|---|---|
| | গ। | |
| গীত | শ্ৰীপদ্মধৰ চলিহা বি, এ, | ৫১, ১০৮ |
| গবীয়া গোসাই | এম্. মোছলেহ উদ্দিন আহম্মদ | ১৫৫ |
| গান | শ্ৰীপদ্মধৰ চলিহা বি, এ. | ২৫৫ |
| গান | শ্ৰীবেণীচন্দ্ৰ হুৱৰা | ৩১৮ |
| গদাধৰ সিংহৰ অজ্ঞাতবাস | শ্ৰীলক্ষ্মীনাথ ফুকন | ৩৪২ |
| গঙ্গাৰ প্ৰতি ভগীৰথ (কবিতা) | শ্ৰীৰুদ্ৰকান্ত দেৱ গোস্বামী | ৩৯১ |
| গান | শ্ৰীসোনাৰাম চৌধুৰী | ৬৯২ |
| গৌৰীশঙ্কৰ | শ্ৰীকৃষ্ণকান্ত সন্দিকৈ | ৬৬০ |
| | চ। | |
| চহকী আৰু দুখীয়া | শ্ৰীবেণুধৰ শৰ্ম্মা | ৪৭ |
| চিঠিৰ সন্দেহ | শ্ৰীতীৰ্থনাথ গোস্বামী | ১০৮ |
| চমু মন্তব্য | "সিফ্ৰা" | ২০০ |
| চিঠি | শ্ৰীকীৰ্ত্তিনাথ শৰ্ম্মা | ২১৯ |
| চমু মন্তব্য | সম্পাদক | ১৮২, ৩৪৪, ৪৪৫ |
| চিংফৌ | শ্ৰীপ্ৰেমধৰ চলিহা | ৫৮৩ |
| | ছ। | |
| ছাত্ৰৰ উত্তৰ | এম্. মোছলেহউদ্দিন আহম্মদ | ১২৩ |
| | জ। | |
| জোবেদা খাতুন | এম্, মোছলেহ উদ্দিন আহমদ। | ২৫০ |
| জীৱনৰ চৈধ্যটিভুল | শ্ৰীসূৰ্য্যকুমাৰ ভূঞা বি, এ, | ৩০৫ |
| জুগুলী মৰিল কিয় ? | কৃপাবৰ বৰবৰুৱা | ৩১১ |
| জয়মতী উৎসৱ | "দৰ্শক" | ৩৩১ |
| জড়বাদ | শ্ৰীসৰ্ব্বেশ্বৰ শৰ্ম্মা কটকী | ৪২১ |
| জয়মতী ( কবিতা ) | শ্ৰীসিংহদত্ত দেৱ অধিকাৰী | ৫০৪ |
| জীৱন মৰণ ( কবিতা ) | শ্ৰীসূৰ্য্যকুমাৰ ভূঞা বি, এ, | ৬১১ |
| | ট। | |
| টেলিগ্ৰাফৰ উপকাৰিতা | শ্ৰীকৃষ্ণচন্দ্ৰ ৰাজকোঁৱৰ | ৬০২ |

ঠ।

| | | |
|---|---|---|
| ঠুংখুৰী ( কবিতা ) | শ্ৰীসিংহদত্ত দেব অধিকাৰী | ১৬ |

ত।

| | | |
|---|---|---|
| তেতিয়া আৰু এতিয়া | শ্ৰীসূৰ্য্যকুমাৰ ভূঞা, বি, এ, | ১৯৫ |
| তুমি ( কবিতা ) | মজিদুৰ ৰহমান | ৫৩৩ |

দ।

| | | |
|---|---|---|
| দূত ( কবিতা | শ্ৰীজগৎচন্দ্ৰ বড়দলৈ | ৫৬ |
| দূৰাকাঙ্ক্ষ ( কবিতা ) | শ্ৰীজিলি | ১১২ |
| দেশ আৰু ধৰ্ম্ম | শ্ৰীধনস্পতিশৰ্ম্মা | ১৪০ |
| দিহত্তৰ বান্তিত এদিন | শ্ৰীপ্ৰেমধৰ চলিহা | ২৩৬ |
| দক্ষিণপাট সত্ৰ | শ্ৰীহিতেশ্বৰ বৰবৰুৱা | ৩৮১ |

প।

| | | |
|---|---|---|
| পোৰা কিতাপৰ বিষয়ে | সম্পাদক | ৬৫৩ |
| প্ৰকৃতিৰ শোভা ( কবিতা ) | শ্ৰীপদ্মাৱতী দেবী ফুকননী | ৪১ |
| পৰমৰ্শ্ম আৰু প্ৰয়োজন | এম্, মোছলেহ উদ্দিন আহমদ | ১৫৪ |
| প্ৰমত্তেশ্বৰী নে প্ৰমতেশ্বৰী | শ্ৰীপ্ৰেমধৰ চলিহা | ১৯৩ |
| পোহৰৰ হেঁচা | শ্ৰীগিৰীশচন্দ্ৰ বৰুৱা | ৩০৫ |
| পুৰণিপদী মায়ামৰাসত্ৰ | শ্ৰীউৎসৱানন্দ গোস্বামী | ৪০৬ |
| পোৰামৰা | শ্ৰীপ্ৰেমধৰ চলিহা | ৫৯৭ |

ফ।

| | | |
|---|---|---|
| ফ্ৰান্সৰ ৰাষ্ট্ৰবিপ্লব | শ্ৰীৰমেশচন্দ্ৰ দাস বি, এ, | ৪১৭ |

ব।

| | | |
|---|---|---|
| বৰ মত | শ্ৰীপ্ৰেমধৰ চলিহা | ৬৬২ |
| বাঁহী বজোঁৱা ( কবিতা ) | শ্ৰীগোলোকচন্দ্ৰ বৰুৱা কাব্যবিনোদ | ১১ |
| বিজুলী | শ্ৰীসূৰ্য্যকুমাৰ ভূঞা বি, এ. | ৮৬ |
| বৰুৱা | এম্, মোছলেহ উদ্দিন আহম্মদ | ৯৫ |
| বুৰঞ্জীৰ নিদিন নাগৰি | শ্ৰীলক্ষ্মীনাথ ফুকন | ১০৩ |





| | | |
|---|---|---|
| বিলাপ ( কবিতা ) | শ্ৰীসূৰ্য্যকুমাৰ ভূঞা বি. এ, | ১৮৭ |
| বসন্ত ( কবিতা ) | শ্ৰীপদ্মাৱতী ফুকননী | ২৮৩ |
| ব্ৰহ্মজ্ঞানী শিশু ( কবিতা ) | ঘনশ্যাম শৰ্ম্মা | ৩১৮ |
| বুৰঞ্জী মাহাত্ম্য | শ্ৰীমহাদেবশৰ্ম্মা | ৫১৪ |
| বিৰহিণী ( কবিতা ) | সূৰ্য্যকুমাৰ ভূঞা বি, এ | ৫২৮ |

ভ।

| | | |
|---|---|---|
| ভক্তিপথ | শ্ৰীলক্ষ্মীনাথ বৰা | ১৩৬ |
| ভক্তি ( কবিতা ) | শ্ৰীমহাদেব শৰ্ম্মা | ৩০২ |
| ভক্ত তুলসীদাস | "জিলি" | ৫২৫ |

ম।

| | | |
|---|---|---|
| মোৰ ( কবিতা ) | শ্ৰীসৰ্ব্বেশ্বৰ শৰ্ম্মা কটকী | ৫৩ |
| মহাত্মা চেমুৱেল হানিমান | এম্, মোছলেহ উদ্দিন আহম্মদ | ১০৪, ১৮৭ |
| মোমাইৰ ঘৰৰ জলপান | শ্ৰীনপতাৰাম বৰফুকন | ২২০ |
| মুৰলী ( কবিতা ) | শ্ৰীজগৎচন্দ্ৰ বড়দলৈ | ২৮৩ |
| মালতী ( কবিতা ) | শ্ৰীসিংহদত্ত দেব অধিকাৰী | ৩০৭ |
| মনৰ সন্দেহ | শ্ৰীতীৰ্থনাথ গোস্বামী | ৩৭২ |
| মকাৰ কথা | এম, মোছলেহউদ্দিন আহম্মদ | ৪২৯ |
| মহত্ত | শ্ৰীমহাদেব শৰ্ম্মা | ৪৫৮ |
| মিত্ৰ | শ্ৰীপ্ৰেমধৰ চলিহা | ৪৭৫ |
| মহাপুৰুষ ( কবিতা ) | শ্ৰীৰুদ্ৰকান্ত গোস্বামী | ৫১৩ |
| মলয়াৰ নিক্কণ | শ্ৰীসূৰ্য্যকুমাৰ ভূঞা বি. এ, | ৬৬৪ |
| মেঘৰ প্ৰতি বিৰহী যক্ষ ( কবিতা ) | শ্ৰীসিংহদত্ত দেব অধিকাৰী | ৬১০ |

ৰ।

| | | |
|---|---|---|
| ৰায় বাহাদুৰ কালীপ্ৰসাদ চলিহা | শ্ৰীকৃষ্ণকান্ত সন্দিকৈ | ৫২৯ |

ল।

| | | |
|---|---|---|
| লপটা | এম্, মোছলেহউদ্দিন আহম্মদ | ২২ |
| লাচিত ফুকন ( কবিতা ) | শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা | ৫৫৬ |

শ।

| | | |
|---|---|---|
| শিৱাজী ( কবিতা ) | "জিলি" | ৫২ |
| শ্ৰীশ্ৰীহৰিদেৱৰ জীৱনী | শ্ৰীৰঘুনাথ গোস্বামী অধিকাৰ | ৪৩৫, ৪৮৬, ৫৪২ |
| শ্ৰীশ্ৰীশঙ্কৰদেৱ ( কবিতা ) | শ্ৰীযতীন্দ্ৰনাথ দুৱৰা | ৪.. |
| শ্ৰীশঙ্কৰদেৱ | শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা | ৫৬০ |

স।

| | | |
|---|---|---|
| সম্পাদকৰ চৰা | সম্পাদক | ১, ৫৭, ১১৩, ১৬৯, ২২৫, ২৮৯, ৩৪৫, ৩৯৩, ৪৪৯, ৫০৬, ৫৬১, ৬১২ |
| সাহিত্য আৰু মুচলমান | এম্, মোছলেহউদ্দিন আহম্মদ, | ৪৩ |
| সদিয়া ( কবিতা | "স্নেহ" | ৬৩ |
| সৌন্দৰ্য্য আৰু বিনাশ ( কবিতা ) | শ্ৰীজ্ঞাননাথ বৰা | ৯০ |
| সোনোৱাল জাতি | | ১৯৩, ২৪২, ৩২১, ৩৭৮ |
| সমিচাৰ | শ্ৰীৰাধাকান্ত গোসাঁই | ২০২ |
| স্বৰ্গীয় মহাত্মা গোপালকৃষ্ণ গোখেল | শ্ৰীসূৰ্য্যকুমাৰ ভূঞা বি, এ. | ২৬১ |
| সন্ধিয়াৰ অতিথি ( কবিতা ) | শ্ৰীসূৰ্য্যকুমাৰ ভূঞা বি, এ. | ৩০৫ |
| সম্পাদকৰ মন্তব্য | সম্পাদক | ৩৭৭ |
| স্বাস্থ্য আৰু আমাৰ আহাৰ | শ্ৰীনগেন্দ্ৰনাথ ফুকন বি. এ, | ৩৮৪ |
| সন্নিধান | শ্ৰীদ্বাৰিকানাথ গোস্বামী | ৪৪৫ |
| সৃষ্টি পাতনি ( কবিতা ) | শ্ৰীসূৰ্য্যকুমাৰ ভূঞা বি, এ. | ৪৮৭ |
| 'সন্নিধানৰ' সন্নিধান | শ্ৰীহিতেশ্বৰ বৰবৰুৱা | ৪৯৪ |
| সুন্দৰ ( কবিতা ) | শ্ৰীযোগেশচন্দ্ৰ বৰা | ৫২৫ |
| সাগৰ ( কবিতা ) | শ্ৰীদেৱেশ্বৰ শৰ্ম্মা বি, এ. | ২৮৭ |
| সংগ্ৰহ | শ্ৰীপ্ৰেমধৰ চলিহা | ৬০৫ |
| সঁচা কথা অমৰ | শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা | ৬০৯ |
| সকলোৰে গীত | শ্ৰীসৰ্ব্বেশ্বৰ বৰুৱা বি, এ. | ৬১৫ |

হ।

| | | |
|---|---|---|
| হৰিভক্ত বৈষ্ণৱ | শ্ৰীজগন্নাথ বেজবৰুৱা | ২২ |
| হিন্দু-মুচলমানৰ বিদ্বেষভাব | এম্, মোছলেহউদ্দিন আহম্মদ, | ৩০৩ |
| হজৰত মহম্মদ ( দঃ ) | এম্, মোছলেহউদ্দিন আহম্মদ, | ৩৬৯ |

# আসাম-সঙ্গীত।

( ১ )

আমি অসমীয়া, নহওঁ দুখীয়া, কিহৰ দুখীয়া হম ?
সকলো আছিল, সকলো আছে, মুগুণো নলওঁ গম।
শঙ্কৰে দিলে বিশুদ্ধ ধৰম, নাচিতে হাতত বল।
সতী জয়মতীৰ সতীত্ব-তেজেৰে অসমী সতী প্ৰবল।
বাজক ডবা, বাজক শঙ্খ, বাজক মৃদং খোল।
অসম আকৌ উন্নতি-পথত, "জয় আই আসাম" বোল।

( ২ )

যতন কৰিলে সৰু বৰ হয়, তামুলী মোমায়ে কলে।
ৰজা হৈ বাম-ৰজা হব পাৰি, ৰুদ্ৰসিংহে দেখুৱালে।
শঙ্কৰাচাৰ্য্যৰ গুৰু অসমীয়া কুমাৰিলা ভট্ট নাম ;
"জগৎগুৰুৰো" গুৰু হব পাৰি, ভট্টই দেখালে ক্ৰাম।
বাজক ডবা, বাজক শঙ্খ, বাজক মৃদং খোল।
অসম আকৌ উন্নতি পথত, "জয় আই আসাম" বোল!

( ৩ )

ভাস্কৰ যেউতি ভাস্কৰবৰ্ম্মা প্ৰাগ্‌জ্যোতিষৰ ৰজা,
ভাৰতৰ ৰজাৰ আগশাৰী ললে, নহয় ইকথা সজা।
উত্তৰ-ভাৰতৰ কেদাৰ ব্ৰাহ্মণ মহাবলবন্ত ৰজা,
কামৰূপপতি শঙ্খলাদিৱে বটুৱালে কেনে বুজা।
বাজক ডবা, বাজক শঙ্খ, বাজক মৃদং খোল।
অসম আকৌ উন্নতি-পথত "জয় আই আসাম" বোল।

(৪)

চাৰি লাখ পদাতি, লাখ অশ্বাৰোহী, চাৰি হাজাৰেক হাতী ;
শঙ্কলাদিৱৰ বীৰ্য্যবিক্রমৰ ভাৰত বিয়পা খ্যাতি ।
লক্ষণাৱতী গৌৰ নগৰ আমাৰ শঙ্কলে কৰা,
ৰাজধানী হৈ আছিল বঙ্গৰ দুহেজাৰ বছৰ জোৰা ।
বাজক ডবা, বাজক শঙ্খ, বাজক মৃদং খোল ।
অসম আকৌ উন্নতি-পথত, "জয় আই আসাম" বোল ।

(৪)

পাৰস্যবিজেতা আক্রচিয়েৰৰ আদ্‌লাখ মোগল সেনা
ঘটুৱাই শঙ্কলে খোৱাঘাট পৰ্ব্বতত কীৰিতি ৰাখিলে জানা ।
মছলেম বুৰঞ্জীত ফেৰিস্তাই লেখিছে ; নহয় ই সাধুকথা ;
প্ৰাণৰ প্ৰাণত অসমীয়া ভাই, ই কথা তোমাৰ গোথা ।
বাজক ডবা, বাজক শঙ্খ, বাজক মৃদং খোল ;
অসম আকৌ উন্নতি-পথত "জয় আই আসাম" বোল ।

(৬)

সিদিনা তোমাৰ ঢেকিয়াল ফুকনে উনত্রিশ বছৰীয়া ডেকা.
অসমৰ হকে যিখিনি কৰিলে যি কীৰ্ত্তি ৰাখিলে লেখা ।
তোমাৰে আনন্দ বৰুৱাই চোৰাঁ সংস্কৃত সাহিত্য মথি,
য়ুৰোপ আচিয়াত কীৰিতি ৰাখিলে, জগতে.কৈছে ডাঠি ।
বাজক ডবা, বাজক শঙ্খ, বাজক মৃদং খোল ;
অসম আকৌ উন্নতি-পথত, "জয় আই আসাম" বোল ।

(৭)

"হেমকোষ" ৰচি হেমচন্দ্র হেৰা ভাষা-আকাশত জোন ;
স্বদেশী ভাষাত এনে শব্দকোষ ভাৰতত ৰচিছে কোন ?
তামুলীফুকন, গুণাভি বৰুৱা বুৰঞ্জী জ্ঞানত জ্ঞানী ।
স্বাধীন ব্যৱসা, দেশৰ হিতত, জগন্নাথ মাণিক মানী ।
বাজক ডবা, বাজক শঙ্খ, বাজক মৃদং খোল,
অসম আকৌ উন্নতি-পথত "জয় আই আসাম" বোল ।



(৮).

হেৰা অসমীয়া, নোহোৱা দুখীয়া, কিহৰ দুখীয়া হবা ?
নিজ নাপাহৰি, হৰিক সুঁৱৰি লাগাচোন সুফল পাবা ।
"বুৰঞ্জীৰ হয় পুনৰ অভিনয়" জ্ঞানবৃদ্ধসবে গায় ।
লক্ষ থিৰ ৰাখাঁ, আগবাঢ়ি যোৱাঁ, মানুহ-মুৱা হবা ভাই !
বাজক ডবা, বাজক শঙ্খ, বাজক মৃদং খোল,
আসাম আকৌ উন্নতি-পথত "জয় জয় আসাম !" বোল ।

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা ।

---

## সম্পাদকৰ চৰা ।

অতি প্ৰাচীন বৈদিক কালত আৰ্য্য ঋষিসকলৰ ঈশ্বৰৰ বিষয়ে জ্ঞান কোনো কোনো বিশেষ বিশেষ প্ৰাকৃতিক পদাৰ্থত নিবদ্ধ আছিল । প্ৰাকৃতিক পদাৰ্থ বুলি প্ৰাকৃতিক পদাৰ্থৰ পিছত থকা আৰু প্ৰাকৃতিক পদাৰ্থক অৱলম্বন কৰি প্ৰকাশ হোৱা শক্তি বা চেতনা বুলিলে ঠিক হয় । যেনে বজ্ৰ আৰু বৃষ্টিৰ পিছত থকা বা বজ্ৰ আৰু বৃষ্টিক অৱলম্বন কৰি প্ৰকাশ হোৱা বা কাৰ্য্য কৰোঁতা ইন্দ্ৰ ; পোহৰ দিওঁতা ঘূৰণীয়া গোলক সূৰ্য্যৰ পিছত থকা বা সেই সূৰ্য্যক অৱলম্বন কৰি প্ৰকাশ হওঁতা বা কাৰ্য্য কৰোতা সবিতৃ ; ইত্যাদি । সেইদেখি প্ৰত্যেক শক্তিশালী প্ৰাকৃতিক পদাৰ্থক সৰ্ব্বশক্তিমান ঈশ্বৰস্বৰূপকৈ তেওঁলোকে পূজা আৰু স্তুতি কৰিছিল । আদি crude অৱস্থাত এনেৰূপে শক্তিমন্ত ঈশ্বৰৰ ধাৰণা আৰ্য্যসকলৰ পক্ষে অতি স্বাভাবিক । তেওঁলোকে যিহকে চকুৰ আগত দেখিছিল, বা প্ৰত্যক্ষ অনুভৱ কৰিছিল, তাৰে প্ৰভূত শক্তি দেখি তাকে ঈশ্বৰ বুলি ধাৰণা কৰি তেওঁৰে ওচৰত মূৰ দোৱাই ভক্তিভাৱেৰে নৈবেদ্য অৰ্পণ কৰি তেওঁক স্তুতি কৰি সন্তোষ দিয়াটোও অতি স্বাভাবিক । কিন্তু আৰ্য্যসকলৰ এই আদি অৱস্থাতো এইটো তেওঁলোকৰ পক্ষে অতি প্ৰধান বিষয় যে তেওঁলোকে সেই দৃষ্ট জড় পদাৰ্থকে মাথোন উপাসনা কৰা নাছিল, জড়ৰ পিছত থকা চৈতন্য শক্তিমন্ত যিজন সেইজনক হে পূজা কৰিছিল । জড় সূৰ্য্যক নহয়,

চৈতন্য সূৰ্য্য দেৱতাক যি সকলোলৈকে চেতনাশক্তি আৰু পোহৰ সেই জড়সূৰ্য্যৰ দ্বাৰাই বা ভিতৰেদি পঠিয়াই সকলোকে সজীৱ কৰিছিল, জড়সূৰ্য্যৰ আবৰণ ভেদ কৰি গৈ সেইজনৰ চৰণত হে তেওঁলোক প্ৰণত হৈছিল। ঈশ্বৰৰ ধাৰণাৰ এই অৱস্থাৰ যুগক সেইদেখি roughly মুঠতে Perceptive stage বুলিব পাৰি।

লৰা আৰ্য্যসকল ডেকা হল। তেওঁলোক দকৈ ভাবিব পৰা হল; ডোখৰাডুখৰি ঘটনা আৰু সিদ্ধান্তবোৰ লগ লগাই তাৰপৰা একোটা ডাঙৰ আৰু গোট সিদ্ধান্ত কৰিব পৰা হল। ফলত তেওঁলোকৰ ঈশ্বৰ-ধাৰণালৈ Reflective stage চিন্তা বিচাৰ আৰু সিদ্ধান্তৰ যুগ অৰ্থাৎ উপনিষদৰ যুগ আহিল। সেইদেখি ইয়াক Reflective stage of Aryan conception of God বুলিব পাৰি। তেওঁলোকে ভাবি চালে আৰু ভাবি চাই পালে যে এই সুকীয়া সুকীয়া প্ৰকাশিত শক্তিৰ পিছত এনে এক ডাঙৰ মহান্ শক্তি মহান্ চৈতন্য আছে, যাৰপৰাই সকলো আহিছে, যি সেই সকলোকে "সূত্ৰে মণিগণাইৱ" কৰি বান্ধি থৈছে।

ইয়াৰ পাছত আৰ্য্যসকলৰ আৰু বুদ্ধি পকিল; তেওঁলোকে সূক্ষ্মাতি-সূক্ষ্ম বিচাৰ কৰি তৰ্কৰ চালনীৰে চালি, দৰ্শনৰ কুলাৰে জাৰি ঈশ্বৰৰ ধাৰণা পৰিষ্কাৰ কৰিলে। সেই কাৰ্য্যত কোনো আংশিক কৃতকাৰ্য্য হল, কোনোৱে বিমোৰত পৰি বাট হেৰুৱালে। যি হওক, এই চেষ্টাই এইটো প্ৰমাণ কৰিলে, যে ঈশ্বৰ তৰ্ক আৰু দৰ্শন শাস্ত্ৰৰ বস্তু নহয়, তৰ্ক যুক্তি দৰ্শন শাস্ত্ৰই চুকি নোপোৱা আত্মপ্ৰত্যয় আত্মদৰ্শনৰ বস্তুহে। এতেকে উপনিষদৰ বাট হে ব্ৰহ্মজ্ঞান বা ঈশ্বৰক জানিবৰ বাট এইটো ওলাল। ব্ৰহ্মৰ জ্ঞান আৰু স্বৰূপ নিৰ্ণয় কাৰ্য্যত উপনিষদ সকলোৰে চূড়ান্ত আৰু উপনিষদহে তাত কৃতকাৰ্য্য। এই বাবেই উপনিষদ বেদ আৰু বেদৰ সাৰভাগ; উপনিষদ বেদৰ অন্তৰ্ভুক্ত। বেদ মানে জ্ঞান. জ্ঞান চিৰন্তন আৰু চিৰসত্য। ঈশ্বৰ জ্ঞানময়; জ্ঞান-শূন্য ঈশ্বৰৰ ধাৰণা হব নোৱাৰে। ঈশ্বৰ যেনেকৈ সদায় বৰ্ত্তমান, তেওঁক জনালৈকো নজনালৈকো, জ্ঞানো সেইদৰে সদায় বৰ্ত্তমান, তাক পোৱালৈকো নোপোৱালৈকো। সেই জ্ঞানৰ গুৰি জ্ঞানময় ঈশ্বৰ; সেই জ্ঞান অনাদি অনন্তকাল আছে, (তুমি আমি অজ্ঞান বা আংশিকৰূপে জ্ঞানী হলেও) আৰু সেই জ্ঞান ঈশ্বৰৰপৰা অহা; সেইদেখি জ্ঞান অৰ্থাৎ বেদ ঈশ্বৰৰ পৰা অহা Revelation। সেইদেখি হিন্দুৰ conception of বেদ ঐশ্বৰিক। সেইদেখি হিন্দুৰ শাস্ত্ৰই কয়, বেদ মহাপ্ৰলয়তো নষ্ট নহয়। কেনেকৈ হব? জ্ঞান নষ্ট হলে জ্ঞানময় আৰু জ্ঞানৰ উৎস আধাৰ ঈশ্বৰো নষ্ট হোৱাটো বুলিব লাগিব, যিটো অসম্ভৱ। সৃষ্ট প্ৰাণী মাত্ৰই জ্ঞান (ঈশ্বৰজ্ঞান, ব্ৰহ্মজ্ঞান, তত্বজ্ঞান) কোনো কাৰণত হেৰুৱাব পাৰে, কিন্তু তথাপি জ্ঞান অক্ষয় অব্যয় অমৰ। সেইদেখি জগত সংহৰণ কৰি ঈশ্বৰ অনন্তশয্যাত শুই থাকোতেও তেওঁৰ "প্ৰথম নিশ্বাসে বাজ হৈল বেদগণ"—(কীৰ্ত্তন) এইবাবেই তেওঁ শুই থাকোতেও বেদে মূৰ্ত্তি ধৰি তেওঁক স্তুতি কৰি আছিল 'যেন নট ভাটে চক্ৰবৰ্ত্তীক জগাৱে।" সেইদেখি প্ৰলয়-জলত বেদ নষ্ট হোৱা নাছিল, যাৰ বেদ তেৱেঁই মৎস্য অৱতাৰ ধৰি তাক উদ্ধাৰ কৰিলে—"মৎস্যৰূপে অৱতাৰ হৈলা প্ৰথমত। উদ্ধাৰিলা চাৰি বেদ প্ৰলয় জলত।"—(কীৰ্ত্তন)। যদি কোনবাই ভাবিছে যে সাঁচিপতীয়া বা ভূৰ্জ্জ-পতীয়া পুথি চাৰিখন প্ৰলয় জলত ওপঙি ফুৰিছিল, ঈশ্বৰে মাছৰ অৱতাৰ ধৰি তাকে বামলৈ তুলি আনিলে, তেন্তে তেওঁ মহাভুল কৰিছে। সাঁচীপতীয়া পুথি লুণীয়া পানীত নিটিকে। ৰূপক ভাঙি আচল মৰ্ম্ম গ্ৰহণ কৰোতালৈ এই কথা স্পষ্ট। বেদ মানে জ্ঞান, আৰু সেই জ্ঞান অকল সেই চাৰিখন সাঁচিপতীয়া বা ভূৰ্জ্জপতীয়া পুথিত পিছত লেখি থোৱা সোপাই নহয়। বেদক শ্ৰুতি বোলে; শুনি থোৱা অৰ্থাৎ ঈশ্বৰৰ বাণী সাধক ঋষি-সকলৰ বিমল কাণে শুনি বিমল হৃদয়ত সাঁচি থৈ জিজ্ঞাসু শিষ্যক তাকে মুখেৰে কোৱাক হে বেদ বোলে। পিছত যেতিয়া বেদ লিখিত হৈ পুথিৰ ভিতৰত সীমাবদ্ধ হল তেতিয়া তাত কালক্ৰমত লিখকসকলৰ সুবিধামতে বোহা-ভেজ. যে সোমাল সেই কথা সহজে অনুমান কৰিব পাৰি। শ্ৰুতি বা বেদ লিখিত অৱস্থালৈ আহি তাত অনেক এনে কথা সোমাল যে তাক ঈশ্বৰৰ বাক্য বুলি স্বীকাৰ কৰিবলৈ টান। জ্ঞানীসকলে এইবোৰকে বেদৰ "পুষ্পিত বাক্য" বুলিছে। গীতাৰ ভগৱান্ শ্ৰীকৃষ্ণইও তাকে হে এই শ্লোকত কৈছে—

"যামিমাং পুষ্পিতাং বাচং প্ৰবদন্ত্যবিপশ্চিতঃ।
বেদবাদৰতাঃ পাৰ্থ নান্যদস্তীতি বাদিনঃ॥

কামাত্মানঃ স্বৰ্গপৰা জন্মকৰ্ম্মফলপ্ৰদাং ।
ক্ৰিয়াবিশেষ বহুলাং ভোগৈশ্বৰ্য্য গতিং প্ৰতি ॥
ভোগৈশ্বৰ্য্য প্ৰসক্তানাং তয়াপহৃত চেতসাং ।
ব্যবসায়াত্মিকাবুদ্ধিঃ সমাধৌ ন বিধীয়তে ॥”

অৰ্থাৎ মূঢ়সকলে বেদবাক্যকে সাৰোগত কৰি লৈ, আৰু একো নাই বুলি, স্বৰ্গসুখকে এক মাত্ৰ পুৰুষাৰ্থ জ্ঞান কৰি স্বৰ্গকামনা কৰি বাহ্য অনুষ্ঠান আৰু বহু ক্ৰিয়াকাণ্ড সাধন কৰি ভোগ ঐশ্বৰ্য্যৰ প্ৰলোভনত নিমগন হয়। ভোগৈশ্বৰ্য্যানুৰক্ত ব্যক্তিসকলৰ বিকৃতচিত্ত ব্যৱসায়াত্মিকা বুদ্ধিয়ে কেতিয়াও সমাধিত সিদ্ধি লাভ নকৰে।

ইয়াৰ পিছত শ্ৰীকৃষ্ণই অৰ্জ্জুনক উপদেশ দিছে “ত্ৰৈগুণ্য বিষয়া বেদা নিস্ত্ৰৈগুণ্যো ভবাৰ্জ্জুন” অৰ্থাৎ বেদসকল “ত্ৰৈগুণ্য বিষয়” অৰ্থাৎ সংসাৰ প্ৰতিপাদক ; এতেকে তুমি বেদক অতিক্ৰম কৰি নিস্ত্ৰৈগুণ্য হোৱা।

এতেকে এইটো স্পষ্ট যে আচল বেদ, অৰ্থাৎ শ্ৰুতি যি Revelation অৰ্থাৎ ঈশ্বৰৰ প্ৰেৰিত জ্ঞান বা আদেশ, যাৰ প্ৰলয় জলত পৰিও ধ্বংস নাই, যি ঈশ্বৰৰ মুখৰ বাক্য, যি ঈশ্বৰৰ সমসাময়িক চিৰন্তন সনাতন জ্ঞান, সিয়েই হে বেদ ; সিয়েইহে শ্ৰুতি, সি চাইটা শ্লোকেই হওক বা চাৰিশ শ্লোকৰ চাৰি বিভাগেই হওক। লিখিত অৱস্থালৈ আহি তাত অমুক ঋষি, তমুক বাপুৰ কৰ্ম্মকাণ্ডৰ পুষ্পিতবাক্যৰ শ্লোকৰ যিবোৰ বিধান সোমাল সেইবোৰ প্ৰলয় জলত ঈশ্বৰে মৎস্য অৱতাৰ ধৰি উদ্ধাৰ কৰা বেদত নাছিল। আচল বেদৰ গাদীনত স্বৰ্গপ্ৰাপ্তিৰ কৰ্ম্মকাণ্ড, যজ্ঞ, যাগ, ব্ৰাহ্মণক দক্ষিণা ইত্যাদিবিলাক পানীহে, অৰ্থাৎ ব্যৱসায়াত্মিকা বুদ্ধিৰ পুৰোহিত হেতা আৰু কৰম কৰোতা ঋষিবাপুসকলৰ ব্যৱসায় বুদ্ধিৰ পানী। বেদৰ এই পনীয়া ছোৱা মৎস্য অৱতাৰে আচল বেদ উদ্ধাৰ কৰাৰ পিছতহে সম্ভৱতঃ তাত দিয়া হৈছে ; কাৰণ নতুবা প্ৰলয়ৰ পানীৰে সৈতে এই পানী ঠিক মিহলি হৈ গলহেঁতেন, ভগৱান মৎস্যই ইয়াক উদ্ধাৰ কৰিব নোৱাৰিলেহেঁতেন আৰু নকৰিলেহেঁতেন। সেই পানীত ওপঙি থকা মাখন আচল বেদ অৰ্থাৎ প্ৰকৃত জ্ঞানহে ভগৱন্তই যে উদ্ধাৰ কৰিছিল এইটো নিশ্চয়। সেইদেখি মহাপুৰুষ শঙ্কৰদেৱেও সৈতে ব্ৰহ্মৰূপী সনাতনক প্ৰণাম কৰি গাওঁ —



“মৎস্যৰূপে অৱতাৰ হৈলা প্ৰথমত।
উদ্ধাৰিলা চাৰি বেদ প্ৰলয় জলত ॥”

আৰু জয়দেৱেৰে সৈতে স্তুৰ ধৰোঁ।—

“বেদানুদ্ধৰতে জগন্তি বহতে ভূগোল মুদ্বিভ্ৰতে,
দৈত্যং দাৰয়তে বলিং ছলয়তে ক্ষত্ৰক্ষয়ং কুৰ্ব্বতে।
পৌলস্ত্যং জয়তে হলং কলয়তে কাৰুণ্যম তন্বতে।
ম্লেচ্ছান মূৰ্চ্ছয়তে দশাকৃতিকৃতে কৃষ্ণায় তুভ্যং নমঃ ॥”

এই শ্লোকত চোৱা, ভগৱান কৃষ্ণয়ে মৎস্যৰ ৰূপ ধৰি প্ৰলয়-জলৰপৰা বেদ উদ্ধাৰ কৰিছিল ; এতিয়া গীতাত সেই ভগৱান কৃষ্ণয়ে কৈছে যে বেদৰ পুষ্পিত বাক্যত বিশ্বাস কৰোতাসকলৰ ঈশ্বৰ-সাধনাত সিদ্ধি নহয়, আৰু তেওঁলোকে তেওঁক নাপায়। এই সাধৰৰ মৰ্ম্ম কি ? মৰ্ম্ম ওপৰত আমি কৈ অহা কথাৰপৰা পোৱা নাযায় নে ? শ্ৰীকৃষ্ণ ভগৱন্তই মৎস্যৰূপ ধৰি যি বেদ উদ্ধাৰ কৰিছিল, তাত এই পুষ্পিত বাক্যৰ ক্ষণস্থায়ী পুষ্পবোৰ অৰ্থাৎ প্ৰকৃত জ্ঞান বা বেদৰ বদত লেৰেলা পৰা ওদিনীয়া ফুলবোৰ নাছিল, কাৰণ সেইবোৰ আচল তত্ত্বজ্ঞান বেদ নহয় ; সেইদেখি ভগৱানে মানুহক সেইবোৰ দেখি মোহ নগ আচল বেদলৈ অৰ্থাৎ যি আচল বেদে ঈশ্বৰৰ জ্ঞান দিয়ে সেই বেদলৈ যাবলৈ সাৱধান কৰি দিছে। সেইদেখি প্ৰচলিত গাখীৰে পানীয়ে মিহলি বেদৰ সাৰ কাঢ়ি মাখন তুলিব লগীয়া হৈছিল ; আৰু সেই মাখন তোলা হৈ তাৰ নাম হল উপনিষদ। উপনিষদক সেইদেখি বেদৰ সাৰভাগ বোলে। বেদ জ্ঞান ; জ্ঞানৰ সাৰ ভাগ বুলি এটা পদাৰ্থ হব্‌ই নোৱাৰে ; জ্ঞান যি জ্ঞান, সি নিৰ্ম্মল নিভাঁজ ; সেই জ্ঞানৰপৰা অৰ্থাৎ বেদৰপৰা সাৰ কাঢ়িব লগীয়া হল বুলি উপনিষদৰ ঋষিসকলে বিবেচনা কৰিলে যেতিয়া তেতিয়া আৰু লিখিত চাৰিখন বেদত পানী দিয়া বোলাত আমাৰ ভুল নাই। উপনিষদে খুলিয়েই বেদৰ বিষয়ে কৈছে—“অপৰা ঋগ্বেদো যযুৰ্ব্বেদঃসামবেদোঽথৰ্ব্ববেদঃ শিক্ষাকল্পো ব্যাকৰণং নিৰুক্তংছন্দো জ্যোতিষমিতি। অথ পৰা যয়া তদক্ষৰমধি গম্যতে।” উপনিষদে বেদৰ সাৰ কাঢ়ি দিলে ; কিন্তু কালক্ৰমত আকৌ সেই সাৰতে পানী দিয়া হল, আকৌ তাত মলি বন্ধ গল, আকৌ তাত গ্লানি উপস্থিত হল ; সেইদেখি

আকৌ সেই বেদৰ সেই গ্লানি গুচাবলৈ ঈশ্বৰ অৱতাৰ হব লগীয়া হল। ব্যৱসায়াত্মিকা বুদ্ধিৰ ধৰ্ম্ম আৰু শাস্ত্ৰব্যৱসায়ীসকল তো আৰু নিজৰ স্বাৰ্থত আঘাত পৰিলে মনে মনে বহি থাকিবৰ পাত্ৰ নহয়। সেইদেখি ঈশ্বৰ "কৃষ্ণৰূপে দৈৱকীত ভৈলা অৱতাৰ" যি "গীতা সুগীতা" মহাশাস্ত্ৰ প্ৰকাশ কৰি সেই বেদৰ অৰ্থাৎ উপনিষদ আদিৰ দ্বাৰাই চেকা বেদৰ অৰ্থাৎ সনাতন জ্ঞানৰ মলি গুচাই পুনৰ প্ৰকৃত ধৰ্ম্ম জ্ঞান প্ৰচাৰ কৰিব লগীয়াত পৰিল। vested interest থকা ধৰ্ম্মশাস্ত্ৰব্যৱসায়ীৰ দ্বাৰাই এনে কাৰ্য্য যুগে যুগে সদায় ঘটিয়েই আছে আৰু ঘটিয়েই থাকিব; সেইদেখি ভগৱান শ্ৰীকৃষ্ণই গীতাত একেআষাৰে কৈয়েই থলে যে "ধৰ্ম্মৰ গ্লানি গুচাবলৈ তেওঁ এই এই দৰে যুগে যুগে অৱতাৰ ধৰিয়েই থাকিব লাগিব।" সেই বাবে শ্ৰীশঙ্কৰ দেৱে কীৰ্ত্তনত কৈছে "যুগে যুগে অৱতাৰ ধৰা অসংখ্যাত" বুলি। যাই শাস্ত্ৰত হাত দিওঁতে খোহা মৰা ভেঁজনি দিয়া দস্তৰ ভাৰতত চিৰকলীয়া। বেদৰপৰা আৰম্ভ কৰি সকলো প্ৰধান প্ৰধান ধৰ্ম্ম গ্ৰন্থত খোহা মৰাটো বা ভেঁজনি দিয়াটো clever স্বাৰ্থীসকলৰ দ্বাৰাই চিৰকাল হৈ আহিছে;— আন কি আজিকালি এই কুৰি শতিকাতো পুৰণি পুথি নকৈ চপাওঁতে এই কলিকতাৰ ছাপাখানাতে তেনে কাণ্ড ঘটিব লাগিছে, আমাৰ চকুৰ আগতে! এনে স্থলত পুৰণি শাস্ত্ৰপৰা এই মকৰা-জালবোৰ গুচাই প্ৰকৃত শাস্ত্ৰ প্ৰকৃত ধৰ্ম্ম জ্ঞান প্ৰচাৰ কৰিবলৈ মাজে মাজে ভগৱন্তৰ অৱতাৰ নহলে চলে কেনেকৈ?

এইখিনিতে এটা প্ৰশ্ন আছে। ভগৱান শ্ৰীকৃষ্ণই যে বেদৰ সম্পৰ্কে এনে খুঁত ধৰা কথা কৈ তেওঁৰ প্ৰাণবন্ধু প্ৰিয়শিষ্য অৰ্জ্জুনক সাৱধান কৰি দিলে, অৰ্থাৎ সকলো ঈশ্বৰ-বিশ্বাসী হিন্দুক সাৱধান কৰি দিলে, তেন্তে তেওঁ গীতাত আন আন ঠাইত বাৰে বাৰে বেদবিহিত কৰ্ম্ম কৰিবলৈ আৰু বেদক উলঙ্ঘা নকৰিবলৈ কয় কিয়? এই প্ৰশ্নৰ আমি যথাসাধ্য উত্তৰ দিবলৈ চেষ্টা কৰোঁ। —প্ৰথমত যি প্ৰকৃত নিভাঁজ বেদ, সেই বেদ তেওঁৰ অৰ্থাৎ ঈশ্বৰৰ মুখৰ বাণীয়েই, প্ৰকৃত জ্ঞানেই; সেই বেদক তেওঁ উলঙ্ঘা কৰিবলৈ কোৱা নাই; সেই বেদ উলঙ্ঘা কৰোতাক তেওঁ বৰং তেওঁৰ আজ্ঞাছেদী বুলিছে। সেই বেদ জ্ঞানকাণ্ড; সেই বেদ ব্ৰহ্মপ্ৰতিপাদক ব্ৰহ্মজ্ঞান, উপনিষদ, যি একেবাৰেই



বাবেই বিশুদ্ধ নিৰ্ম্মল, যি শুদ্ধ বুদ্ধ নিত্য নিৰঞ্জন দেৱৰ বিষয়ে কৈছে। যি "বেদ" এ বেদৰ মাজত সোমাই বেদৰ নামত চলিছে, সেই ছোৱা বেদক হে তেওঁ পুষ্পিত বাক্য বুলি তাত মোহ নাযাবলৈ সাৱধান কৰি দিছে। এই বেদৰ নাম কৰ্ম্মকাণ্ডময় যাগ যজ্ঞ বুজিব লাগিব। কথাৰ এই ফেৰা কিটিপ বুজিব পাৰিলেই আৰু এই কথাৰ আচল মৰ্ম্ম, আৰু গীতাৰ প্ৰকৃত মৰ্ম্ম, আৰু প্ৰকৃত বৈষ্ণৱধৰ্ম্ম প্ৰচাৰক আন আন মহাপুৰুষসকলৰ বাক্যৰ, শিক্ষাৰ আৰু আচৰণৰ মৰ্ম্ম বুজাত গোলমাল নাথাকে। এই বাবেই জ্ঞানী সাধুসকলৰ উপদেশ "মহাজনো যেন গতঃ স পন্থা" অৰ্থাৎ মহাজন তত্ত্বজ্ঞানী সকলে সেই কিটিপ জানি কোন বাটেদিগৈছে আৰু যাব লাগিব শিষ্যক উপদেশ দিয়ে। ঘোষাত সেইদেখি কৰ্ম্মকাণ্ডবিৰোধী মহাপুৰুষ মাধৱদেৱেও লিখিছে—

"মাধৱে বোলন্ত শ্ৰুতি স্মৃতি মোৰ আজ্ঞাবাণী জানা নিষ্ঠ,
যিটোজনে আৰু উলঙ্ঘিয়া প্ৰবৰ্ত্তয়।
ভৈল সিটো মোৰ আজ্ঞাছেদী, মোক দ্বেষ কৰিলেক আতি,
মোৰ ভক্ত হন্তো বৈষ্ণৱ সিটো নহয়॥"

ইয়াৰ পিছতে মাধৱদেৱে এই ফাকি ঘোষা দিছে,—

"যত উগ্ৰ তপ জ্ঞান গুণ যাগ যোগ যজ্ঞ দান পুণ্য
কিবা প্ৰয়োজন সাধিবেক আসম্বাৰ।
কৃষ্ণ জগতৰ গুৰু নিষ্ঠ সুখ মোক্ষপ্ৰদ দেৱ ইষ্ট
তাহান চৰণে ভকতি নভৈল যাৰ॥"

বেদৰ কৰ্ম্মকাণ্ডত যাগ যজ্ঞ তপস্যা আদি আছে। সেই ডোখৰক পুষ্পিত বাক্য বুলি তাতে মজি তাকে সৰ্ব্বস্ব বুলি নাথাকিবলৈ ভগৱানে উপদেশ দিছে। কাৰণ সেই ডোখৰ বেদৰ ছায়া হে, কায়া নহয়। বেদৰ কায়া ডোখৰ অৰ্থাৎ আচল বেদ ডোখৰ উলঙ্ঘা কৰি প্ৰবৰ্ত্তিব খোজাক হে তেওঁ তেওঁৰ আজ্ঞাছেদী বুলিছে? কাৰণ সেই ডোখৰ তেওঁৰ আজ্ঞাবাণী। বাকী ডোখৰ অৰ্থাৎ কৰ্ম্মকাণ্ড ডোখৰ বেদৰ সাৰ নহয়। সেই ডোখৰৰ ব্যৱস্থা হয়তো সত্য ত্ৰেতা দ্বাপৰত আৱশ্যক আছিল—চিত্ত শুদ্ধিৰ নিমিত্তে, আচল ডোখৰ বেদত নিৰ্ম্মল মনেৰে প্ৰবেশ কৰিবৰ নিমিত্তে; আৰু সেই দেখি বিজ্ঞ বৈদিক কৰ্ম্মকাণ্ডৰ ঋষি পুৰোহিতসকলে সেই ডোখৰক বেদৰ

ভিতৰত সুমাই দি বেদেৰে সৈতে লগ লগাই incorporate কৰি দিলে। সেই কালৰ পক্ষে সেই কাৰ্য্য অৱশ্যে বেয়া হোৱা নাছিল ; বেয়া নেলাগে, অত্যাৱশ্যকেই আছিল, কাৰণ সমাজ বন্ধন আৰু সমাজ ৰক্ষাৰ নিমিত্তে সেই Ritualistic portion নিতান্ত আৱশ্যক, আৰু তাৰ কিছু অংশ এই কলি-কালতো নিশ্চয় আৱশ্যক ; কিন্তু যেতিয়া দেখা গল যে মানুহে সেই Ritualistic ডোখৰতে সোপাকে প্ৰাণ মন দি লাগিল, অৰ্থাৎ সেই ডোখৰকে ধৰ্ম্মৰ আচল শাহ বুলি ধৰি অৰ্থাৎ তাৰ abuse কৰি সিডোখৰ অৰ্থাৎ আচল ডোখৰক পিছলৈ ঠেলিলে, আৰু তাতে সেইসকলক তেওঁলোকৰ পুৰোহিতসকলে নিজৰ সুবিধাৰ নিমিত্তে উৎসাহিত কৰিবলৈ ধৰিলে, তেতিয়াহে তাৰ বিপক্ষে চোকা কথা কব লগীয়াত পৰিল কৃষ্ণদেৱ আৰু প্ৰকৃত ধৰ্ম্মপ্ৰচাৰক মহাপুৰুষসকল। বেদ নিত্য, সনাতন, যি প্ৰলয়তো ধ্বংস নহয় ; সেই বেদ জ্ঞানকাণ্ড ; উপনিষদ ভাগ। কৰ্ম্মকাণ্ড ভাগ বেদ অনিত্য, সনাতন নহয় ; কাৰণ সত্য ত্ৰেতা দ্বাপৰ আৰু কলিযুগৰ নিমিত্তে তাত পৰিবৰ্ত্তন ঘটিব লগীয়া হৈছে আৰু ঘটিছে, আন কি ঈশ্বৰৰ অৱতাৰসকলেই তাক প্ৰত্যেক যুগেৰে suit মিলাকৈ কৰাকৈ অৰ্থাৎ প্ৰত্যেক যুগৰ অৱস্থাৰ পৰিৱৰ্ত্তনেৰে সৈতে মিলাই পৰিবৰ্ত্তন কৰিবলৈ বাধ্য হৈছে। এই কথা তো আৰু নুই কৰিব নোৱাৰি। "সত্যযুগত ধ্যান, ত্ৰেতাত যজ্ঞ, দ্বাপৰত পূজা, কলিত হৰিসংকীৰ্ত্তনৰ" ব্যৱস্থাই বেদৰ কৰ্ম্মকাণ্ড ভাগৰ অনিত্যতা আৰু পৰিবৰ্ত্তনশীলতা প্ৰমাণ কৰিছে। এতেকে যদি এই ডোখৰক ঈশ্বৰৰ মুখ নিসৃত অপৰিবৰ্ত্তনীয় সনাতন বেদ বোলা যায় তেন্তে বেদৰ গোটেই fabric ভেটি লৰে আৰু বেদৰ বিষয়ে কোৱা কথা আৰু হিন্দুৰ ধাৰণা মাটি হয়। এই নিমিত্তে apprantly contradictory কথা বেদ মানিবলৈ আৰু নামানিলে ঈশ্বৰৰ আজ্ঞাছেদী হোৱা, আৰু নামানি, তাত বিহা যাগ যজ্ঞ কৰ্ম্মকাণ্ড এৰিবলৈ যে কোৱা হৈছে, তাত প্ৰকৃত বিৰোধ নাথাকে।

আৰু এটা ঘাই কথা আমি এই খিনিতে মন কৰি চাবলৈ পাহৰিব নেলাগে। সেইটো হৈছে আৰ্য্য হিন্দুৰ প্ৰকৃতি। হিন্দু কেতিয়াও by nature স্বভাৱতে Revolutionary বিপ্লৱবাদী আৰু বিপ্লৱকাৰী নহয়। হিন্দুৱে পুৰণিক অতি শ্ৰদ্ধাৰ চকুৰে চাবলৈ ভাল পায়। হিন্দুৰ হিয়াত



পুৰণিৰ ঠাই অতি যতনৰ অতি শ্ৰদ্ধাৰ, যদিও সেই পুৰণিৰ আৱশ্যকতা আৰু কাৰ্য্যকাৰিতা এতিয়া আৰু নাইকিয়া হল। হিন্দু কৃতজ্ঞ জাত ; হিন্দুৱে Past services গত উপকাৰ নেপাহৰে। হিন্দুৱে সেইদেখি সাত পুৰুষৰ শ্ৰাধ কৰে, উপৰি পুৰুষসকলক পিণ্ড তৰ্পণাদি দি থাকে। কিন্তু আজি আমাৰ ৭ বা ১৪ পুৰুষৰ সেই উপৰি পুৰুষসকল যদি আহি আমাৰ মাজত ওলাইহি, তেওঁলোকক লৈ আমি আমাৰ বৰ্ত্তমান সামাজিক জীৱনৰ কোনো উপকাৰ সাধিব নোৱাৰোঁ ; বৰং তেওঁলোক আমাৰ অলাগতীয়া হৈ পৰি থাকিব আৰু আমাৰ "ভালুকৰ সাঙ্গী" হে হব আৰু আমাৰ এই সামাজিক জীৱনৰ কোনো কাৰ্য্যত তেওঁলোকে interfere হাত দিবলৈ গলে সমাজৰ হানি হে হব ; তথাপি আমি আজি আমাৰ আগৰ পুৰণি উপকাৰৰ বাবে তেওঁলোকৰ স্মৃতি ৰাখি তেওঁলোকক কৃতজ্ঞতা জনাব লাগিছোঁ। অতীতক অৱজ্ঞা হিন্দুৱে কৰিব নোৱাৰে ; অৱজ্ঞা তো দুৰৰ কথা হিন্দুৱে বৰং অতীতৰ অতিৰিক্ত সম্মান অতিৰিক্ত ভক্তিত নিমগ্ন হৈ বৰ্ত্তমানলৈকো আওহেলাহে কৰা দেখা যায়। হিন্দুৰ পক্ষে French Revolution ফৰাচী বিপ্লৱৰ নিচিনা সামাজিক বিপ্লৱ অসম্ভৱ ; আৰৱত মহাপুৰুষ মহম্মদে কৰা ধৰ্ম্মবিপ্লৱৰ নিচিনা বিপ্লৱ হিন্দুৰ পক্ষে অসম্ভৱ ; জাপানত আজিকালি ঘটাৰ নিচিনা সৰ্ব্বাঙ্গীন বিপ্লৱো অসম্ভৱ। হিন্দুৰ liberality উদাৰতা উন্নতিশীলতা conservativism-অৰ ৰক্ষণশীলতাৰ ভিতৰৰ ফাকৰ ভিতৰত সদায় নিবদ্ধ। হিন্দুৰ প্ৰকৃতিয়েই এনে ; আৰু এই প্ৰকৃতিও হিন্দুৰ সৰ্ব্বাঙ্গীন সুগভীৰ চিন্তাৰে দৃঢ়ীকৃত। এই নিমিত্তে হিন্দুৱে বেদ বেদাঙ্গ স্মৃতি তন্ত্ৰৰপৰা যিমানকে আঁতৰক কিন্তু কেতিয়াও সেই শাস্ত্ৰসকলৰপৰা নিজৰ ঠেক নিছিঙে। এই নিমিত্তেই শ্ৰীকৃষ্ণই যিমান বেদবিৰোধী মত প্ৰচাৰ কৰক, ধৰ্ম্মশিক্ষা দিয়ক, বেদৰ অধীনতা নেৰিছিল, আৰু আন আন হিন্দুধৰ্ম্ম প্ৰচাৰক মহাপুৰুষসকলেও তেনেকুৱাকে কৰিছিল আৰু কৰে। পৈতৃক ভেটি হিন্দুৰ বৰ আদৰৰ ধন ; তেহেলৈ তাত হিন্দুৱে যেনে গঢ়েৰেই ঘৰ সাজক। এই বাবেই হিন্দুধৰ্ম্ম সংস্কাৰক প্ৰচাৰক মহাপুৰুষসকলে বেদবিহিত বিধিবিধান যিবোৰ সমাজ ৰাক্ষোনৰ নিমিত্তে আৱশ্যকীয়—যদিও সেইবোৰৰ অসাৰতা তেওঁলোকে বুজিছিল আৰু প্ৰকাশ কৰিছিল—সেইবোৰ নেৰে ; কাৰণ তেওঁলোক

সংস্কাৰক হে, একেবাৰেই ভাঙ্গি নিৰ্ম্মূল কৰি বিপ্লৱকৰোতা নহয়। তেওঁলোকে গভীৰ চিন্তা কৰি জানিছিল যে তেওঁলোকৰ পথ অপেক্ষাকৃত সুগম, নিৰাপদ আৰু উচ্চ। এই বাবেই শ্ৰীকৃষ্ণই কৰ্ম্মযোগৰ অধ্যায়ত ধৰ্ম্মৰ বিষয়ে কওঁতে গীতাত কৈছে যে যদিও মই স্বয়ং ঈশ্বৰ, মোৰ কৰ্ম্ম কৰিবৰ কোনো আৱশ্যক নাই, তথাপি মই কৰ্ম্মশীল, কাৰণ মই কৰ্ম্ম নকৰিলে সৰ্ব্বসাধাৰণ মূঢ়লোকে মোৰ আহি লৈ কৰ্ম্ম নকৰি সমাজবন্ধন নষ্ট কৰিব। কাৰণ জ্ঞানীৰ আচাৰ দেখিহে আনে চলে,—

> "যদ্যদাচৰতি শ্ৰেষ্ঠস্তত্তদেবেতৰোজনঃ।
> স যৎ প্ৰমাণং কুৰুতে লোকস্তদনুবৰ্ত্ততে ॥
> নমে পাৰ্থাস্তি কৰ্ত্তব্যং ত্ৰিষু লোকেষু কিঞ্চন।
> নানবাপ্তমবাপ্তব্যং বৰ্ত্ত এব চ কৰ্ম্মণি ॥
> যদি হ্যহং ন বৰ্ত্তেয়ং জাতু কৰ্ম্মণ্যতন্দ্ৰিতঃ।
> মম বৰ্ত্মানুবৰ্ত্তন্তে মনুষ্যাঃ পাৰ্থ সৰ্ব্বশঃ ॥
> উৎসীদেয়ুৰিমে লোকা ন কুৰ্য্যাং কৰ্ম্ম চেদহং।
> সঙ্কৰস্য কৰ্ত্তাস্যামুপহন্যামিমাঃ প্ৰজাঃ ॥"

এইবাবেই শ্ৰীকৃষ্ণ আৰু তেওঁৰ পত্নীসকল আৰু আন আন যাদৱসকলৰ শাস্ত্ৰবিহিত প্ৰেতকাৰ্য্য অৰ্জ্জুনে কৰিছিল। এইবাবেই শঙ্কৰদেৱৰ দশা শ্ৰাদ্ধাদি মাধৱদেৱে শাস্ত্ৰৰ সম্মান ৰাখি কৰাইছিল, আৰু মাধৱদেৱৰো কৰা হৈছিল, আৰু মহাপুৰুষীয়া একেশ্বৰবাদ নিৰ্ম্মল ধৰ্ম্মতো বেদবিহিত শ্ৰাদ্ধাদি কাৰ্য্য বিষয়া ভকতসকলৰ নিমিত্তে ৰখা হৈছে, আৰু উদাসীনসকলৰ নিমিত্তে একেবাৰেই গুচোৱা নাই। কি চৈতন্যই, কি শঙ্কৰে, কি মাধৱে এইবাবেই তেওঁলোকৰ শিক্ষাত বেদ উলঙ্ঘা কৰা ব্যৱস্থা দিয়া নাই; মাথোন তেওঁলোকে কয় যে বাহত লাগি থাকি শাহলৈ নেপাহৰিবলৈ আৰু শাহক শাহ বাহক বাহ বুলি জানিবলৈ। তেওঁলোকৰ তৰোৱাল তেওঁলোকে ধৰাই ফাকৰ ভিতৰতে ৰাখিছিল, কাৰণ সেই ফাক ধ্বংস হলে, বা তাত সেই চোকা তৰোৱাল নাৰাখিলে, সেই তৰোৱালত মানুহে ধৰিব, আৰু সি অসাৱধানতাত হাতত গাত লাগি কাটিব। তেওঁলোকে সমাজ ৰাখি লাহে লাহে তাৰ ভিতৰতে সংস্কাৰ কৰিছিল, ভাঙ্গি নহয়, কাৰণ তেনে কৰিলে সম্পদতকৈ



বিপদৰ আশঙ্কা হে বেছি। এই মৰ্ম্মকে বুজিব নোৱাৰি এই মহাপুৰুষসকলৰ কাৰ্য্যত আমি ultra radical অতি উদাৰসকলে আৰু ultra conservative অতি অনুদাৰসকলে নানা কল্পনজল্পনা কৰোইক। হিন্দুৰ এই বিচক্ষণ spirit-অৰপৰা, method-অৰপৰা, প্ৰথাৰপৰা বাজ হৈ বুদ্ধদেৱে একেবাৰেই বেদ উৰাই, শাস্ত্ৰ উৰাই ধৰ্ম্মপ্ৰচাৰ কৰিছিল দেখি, সেই কৰুণাৰ ধৰ্ম্ম যদিও সুবিমল আৰু সত্য, সি সৰহদিন ভাৰতত টিকিব নোৱাৰিলে। বুদ্ধদেৱে প্ৰণালীত ভুল কৰিছিল। অথবা তেনে প্ৰণালী তেতিয়া আৱশ্যক হৈছিল দেখি তাক তেওঁ অৱলম্বন কৰিছিল; কাৰণ বৰকৈ এডোখৰ ঘাত পুঁজ হলে তাত অস্ত্ৰ কৰাই শ্ৰেয়ঃ—তথাপি সেই প্ৰণালীৰ inherent defect-অৰ নিমিত্তে, অন্তৰ্নিহিত দোষৰ নিমিত্তে কিছুকালৰ পিছত সি হিন্দুৰ দ্বাৰাই পৰিত্যক্ত হব লগীয়া হল। কৃতজ্ঞ আৰু অগুণকাৰী নোহোৱা হিন্দুৱে কিন্তু বুদ্ধদেৱৰ প্ৰচাৰিত ধৰ্ম্ম আৰু শিক্ষাৰ সাৰবোৰ গ্ৰহণ কৰি—যদিও তেওঁৰ প্ৰণালী দোষযুক্ত হোৱাৰ নিমিত্তে বৌদ্ধধৰ্ম্মক ভাৰতৰপৰা বাজ কৰি দিলে, তথাপি—বুদ্ধদেৱক ঈশ্বৰৰ প্ৰধান দশ অৱতাৰৰ ভিতৰত স্থান দি তেওঁৰ চৰণত ভক্তিভৰেৰে প্ৰণত হৈ তেওঁৰ প্ৰতি কৃতজ্ঞতা জনালে।

---

আমি কিছুদিনৰ আগেয়ে "ভবিষ্যত কথা বা সন্ত-চৰিত" আৰু "সৎসম্প্ৰদায়ৰ কথা" এই দুখন কিতাপ পাইছিলোঁ। কিতাপ দুখন পঢ়ি আমি অবাক হৈ পেলাই থৈ দিছিলোঁ; কাৰণ সেই দুখন সমালোচনা কৰিবলৈ গলে বা তাৰ বিষয়ে কোনো কথা কবলৈ গলে নামি যাব লাগিব; কিয়নো কিতাপ দুখন, বিশেষকৈ "সৎসম্প্ৰদায় কথা' নামৰ কিতাপখনে তেনে কুৱালৈকে টানে। তাত মহাপুৰুষ মাধৱদেৱক এনে জঘন্য ভাষাৰে আক্ৰমণ কৰিছে, আৰু কোনো কোনো ঠাইত এনে অশ্লীল কথা প্ৰয়োগ কৰিছে যে আমি দেখি আচৰিত মানিছিলোঁ যে প্ৰকাশকে কেনেকৈ সেইখন ছপা কৰি ভদ্ৰসমাজত উলিয়ালে। এক সম্প্ৰদায়ৰ মানুহে আন সম্প্ৰদায়ক খান্ধুলি গালি পাৰিলেই বৈষ্ণৱধৰ্ম্ম প্ৰচাৰ হয়নে? "সৎসম্প্ৰদায়ৰ কথা" "পমৰ ভাগৱত ভট্টদেৱ কবিৰত্নৰ" নামে ৰচা। মহাপুৰুষ দামোদৰদেৱৰ মুখ্য শিষ্য আৰু তেওঁৰ পিছত পাটবাউসীৰ অধিকাৰ ভট্টদেৱ আমাৰ

অসমীয়া ভাষাত প্ৰথম গদ্য পুথি "কথা ভাগৱত"ৰ গ্ৰন্থকাৰ। সেই পুথি অসমীয়াৰ বৰ গৌৰৱ আৰু আদৰৰ বস্তু। ভট্টদেৱ পৰম বৈষ্ণৱ পৰম পণ্ডিত। এনে এজন বৈষ্ণৱে মহাপুৰুষ মাধৱদেৱক এনে জঘন্য ভাষাৰে গালি পাৰি গ্ৰন্থ ৰচনা কৰাটো আমি আমাৰ প্ৰাণ গলেও বিশ্বাস কৰিব নোৱাৰোঁ, কাৰণ বিশ্বাস কৰিবলৈ গলে ভট্টদেৱৰ গাত মহা অবৈষ্ণৱৰ দোষৰ চাট পেলোৱা হয়; কিয়নো বৈষ্ণৱৰ তেনে স্বভাৱ নহয়, আৰু মহা বৈষ্ণৱ ভট্টদেৱৰ পক্ষে তো সি অসম্ভৱেই। এই পুথি নিশ্চয় ভট্টদেৱৰ নামত কোনবাই "জাল" কৰি লেখিছে, অথবা ভট্টদেৱে লেখা পুথিত স্বাৰ্থসিদ্ধিৰ নিমিত্তে এইবোৰ কুবাক্য যোগ দি চলাবলৈ গৈছে এয়ে আমাৰ ধাৰণা। অন্ততঃ সৎসম্প্ৰদায়ৰ দশম অধ্যায় যে কেতিয়াও ভট্ট দেৱৰ ৰচনা নহয়, তাক আমি দৃঢ়বিশ্বাস কৰোঁ। সেই অধ্যায় যোগ দিয়াজনে বা সকলে ভাবি চোৱা নাই যে তেনে অবৈষ্ণৱজনোচিত ইতৰ কথা ভট্টদেৱৰ মুখত আৰোপ কৰি তেওঁলোকে মহাবৈষ্ণৱ ভট্টদেৱক কি অপমানটোকে কৰিছে! হব পাৰে এইখন পুৰণি পুথি, হব পাৰে ই তিনিশ বছৰীয়া, কিন্তু তেওঁলোকে ভাবি চোৱা উচিত আছিল যে পৃথিৱীত সদায় স্বাৰ্থান্ধ মিছলীয়া আৰু ইতৰ স্বভাৱৰ লোক আছিল আৰু আছে, আৰু পৃথিৱীৰ ভিতৰুৱা আসামতো তিনিশ বছৰৰ আগেয়ে তেনেলোক থকাটো অসম্ভৱ নহয়। তিনি শ বছৰৰ আগেয়ে আসামত সত্যযুগ হে প্ৰবৰ্ত্তি আছিল, এনে কথা বিশ্বাস কৰিলেহে এই শাৰীৰ পুথি বিশ্বাস কৰিব পাৰি। আৰু এখনে কোনো কাৰণৰ নিমিত্তে কোনো এটা বিবৰণ দিলেই সি শিলৰ খুটি নহয়, তাক শিলৰ খুটি কৰিবলৈ বুৰঞ্জী ইতিহাস সমসাময়িক ঘটনা ইত্যাদিৰ প্ৰমাণ লাগে এইটোও জনা উচিত। পৌৰাণিক যুগৰ আগৰেপৰা আন কি বৈদিক যুগতো স্বাৰ্থ সিদ্ধি কৰিবলৈ ভাৰতৰ পণ্ডিত, অপণ্ডিত আৰু এধাথুন্দা পণ্ডিতসকলে কত পুথি ৰচনা কৰিব লাগিছে, তাৰ শেষ নাই; কিন্তু সেইবোৰক কোনো বিজ্ঞ-লোকে প্ৰামাণ্য গ্ৰন্থ বুলি নধৰে। এই শ্ৰেণীৰ পণ্ডিত গ্ৰন্থকাৰসকলৰ হৰ পাৰ্ব্বতী সদায় হাতৰ লাখুটি। তেওঁলোকে হৰক বক্তা কৰি পাৰ্ব্বতীক শ্ৰোতা পাতি নিজৰ মতৰ দলৰ স্বাৰ্থসিদ্ধিৰ নিমিত্তে বিপক্ষক বা বিপক্ষদলৰ লোকক কিলাবলৈ, এধাথুন্দা বা মিহিকৈ খুন্দা সংস্কৃত ভাষাত খনে খনে হৰগৌৰী



সংবাদ, ভবিষ্যপুৰাণ, অমুক তন্ত্ৰ তমুক সংহিতাৰ লাখুটি সদায় ৰচনা কৰি আহিবই লাগিছে। সেই জাবৰবোৰ উদাৰ শিক্ষা পোৱা পুৰণি কলীয়া শিক্ষিত বা আজিকালিৰ শিক্ষিতসকলে অকামিলা বুলি গোবৰৰ পাঁচীত হে পেলাই থয়।

আমাৰ এজন উদাৰ শিক্ষিত বন্ধুৱে (অৱশ্যে তেওঁ মহাপুৰুষীয়া সম্প্ৰদায়ৰ নহয়) আমাৰ হাতত এই কিতাপ দুখন দেখি এনে disgusted বিৰক্ত হৈছিল, যে তেওঁ আমাক বাৰে বাৰে কিতাপ দুখন beneath notice বুলি তাৰ কোনো ভু নলবলৈ অনুৰোধ কৰিছিল। আমিও তেওঁৰ সুপৰামৰ্শমতে তাৰ ভু নলৈ তাক ফটা-কাকতৰ পাঁচীত এতিয়ালৈকে পেলাই থৈছিলোঁ; কিন্তু আজি তাৰপৰা বিচাৰি বুটলি আনিবলৈ বাধ্য হৈ আমাৰ বন্ধুক আমি দিয়া assurance কথা ভাঙিব লগীয়াত পৰিলোঁ;—কাৰণ আমি দেখিছোঁ যে আসামবাসী কোনো "ভুজুলুকীয়া প্ৰত্নতত্ত্বজ্ঞই" সেই কিতাপৰে "প্ৰমাণ" উদ্ধাৰ কৰি কোনো কাকতত তেওঁৰ ভুজুলুকীয়া বিদ্যা "জাহিৰ" কৰিব লাগিছে। আমি একো নামাতিলে তেওঁৰ শাৰীৰসকলে দেখিছোঁ তাৰেই তেওঁলোকৰ "কিয়া ফতে" কৰিবলৈ চেষ্টা কৰি হাস্যাস্পদ হৈ থাকিব; গতিকে তেওঁলোকক ৰক্ষা কৰিবলৈকে যাইকৈ, আমি অস্ত্ৰ ধৰিব লগীয়াত পৰি আমাৰ বন্ধুবৰৰ ওচৰত ক্ষমা মাগিছোঁ। তাহানি আমাৰ শিক্ষিত বন্ধু এজনে গুৱাহাটীত সভা এখনত বক্তৃতা দি কৈছিল, বোলে তেওঁ হেনো যতবোৰ মহাপুৰুষীয়া পুথি পঢ়িছে, সকলো-বোৰত বৰ বেয়া-বেয়াকৈ দামোদৰীয়াক গালি পাৰিছে, কিন্তু দামোদৰীয়া সম্প্ৰদায়ৰ পুথিত মহাপুৰুষীয়াক সেইদৰে পৰা নাই। এই কথা কাকতত দেখি তেওঁলৈ আমি সেই গালি থকা পুথিবোৰৰ নাম সুধি পঠিয়াইছিলোঁ, কিন্তু তেওঁ আমাৰ প্ৰতি এনে নিকৰুণ যে আমাৰ চিঠিৰ প্ৰাপ্তি-স্বীকাৰকে নকৰিলে। এতিয়া আমি তেওঁক এই কিতাপ দুখনৰ নাম দি কিতাপ দুখন পঢ়িবলৈ কওঁ। তেওঁ দয়া কৰি পঢ়িলে আমাৰ সন্তোষ হব, নপঢ়িলে আমি তেওঁক এই কিতাপ দুখন আঙুলিয়াই দিয়া পুণ্যকেৰা কলৈ যাব?—সেই পুণ্য আমাৰ নামে হিচাপৰ কিতাপত জমা থাকিব বুলি আমাৰ বিশ্বাস।

আমাৰ এই ফেৰা পাতনিৰ পিছত এতিয়া "ভবিষ্যত কথা বা সন্তচৰিত্ৰ" "মহাকবি ৺কবিচন্দ্ৰ ৰচিত" কিতাপৰ পাতনিলৈ যাওঁ। পাতনিৰ আৰম্ভনতে আছে—"আমি বহু যতনেৰে কেইবাখনো "ভবিষ্যপুৰাণ" পুথি অনাই চাই পুথিখনি প্ৰস্তুত কৰিছোঁ। আমি যিমান পাৰিছোঁ হাতেৰে লিখা পুথিৰ ভুলবোৰ সংশোধন কৰি দিছোঁ।" এই কথাৰপৰা ইয়াৰ মানে আমি ইয়াক বুজিছিলোঁ আৰু বুজিবৰ কথাও যে "ভবিষ্যত কথা বা সন্ত চৰিত্ৰ" নামৰ পুথি "মহাকবি ৺কবিচন্দ্ৰৰ ৰচিত নহয়, প্ৰকাশক দুজনে বহু যতনেৰে কেইবাখনো "ভবিষ্য পুৰাণ" পুথি অনাই চাই এই "ভবিষ্যত কথা" নামৰ পুথিখনি প্ৰস্তুত কৰিছে। "ভবিষ্য পুৰাণ" খনহে সম্ভৱতঃ "মহাকবি ৺কবিচন্দ্ৰৰ" ৰচিত বা অনুদিত। সেইবাবেহে নামৰ পৰিবৰ্ত্তন অৰ্থাৎ ইয়াৰ নাম "ভবিষ্য পুৰাণ" নহৈ "ভবিষ্যত কথা বা সন্ত চৰিত্ৰ" হল। পুথিখনৰ ভণিতাবোৰত "কহে দ্বিজবৰ" মাথোন আছে। এতেকে এইজন কবিচন্দ্ৰ দ্বিজবৰ নে প্ৰকাশকদ্বয় দ্বিজবৰ, আমি বৰ সন্দেহত পৰি আছিলোঁ। ২য় পিঠিত আছে "যাৰ কৃপালেশে মূৰ্খে বাক্য চয় ৰচে। পেঙ্গুয়াজনেও ক্ৰমে পৰ্ব্বতত চৰে॥" পৰ্ব্বতত উঠিব খোজা সেই "পেঙ্গুয়াজন" কোন এই কথাৰ উৱাদিহ উলিয়াব নোৱাৰি আমি গোলমালত পৰোঁতেই কিতাপৰ শেহৰ ভণিতাই আমাক জানিবা ৰক্ষা কৰিলে যথা—"কৃষ্ণৰ কিঙ্কৰ কবি চন্দ্ৰয়ে ৰচিলা ছবি।" যাওক, এতিয়া বুজিলোঁ গ্ৰন্থকৰ্ত্তাজন কবিচন্দ্ৰ দ্বিজ। কিন্তু তেওঁ এইখন একেবাৰেই কোনো সংস্কৃত "ভবিষ্য পুৰাণ" পুথিৰ ভাঙনি কৰি ৰচনা কৰা নহয়, কাৰণ তেওঁ ৪ পৃষ্ঠাত কৈছে—"একে ভবিষ্যত কথা অমৃত সাক্ষাত। আৰু ভাগৱত কথা মিশ্ৰ দিলোঁ তাত॥" অৰ্থাৎ "ভবিষ্যত কথা" কিছুমান তেওঁ নিজৰ সুবিধা অনুসৰি, বোধ কৰোঁ কোনবা "ভবিষ্য পুৰাণৰ"পৰা আনি তাতে শ্ৰীমদ্ভাগৱতৰ কথা মিহলাই এইখন ৰচনা কৰিছে। বেচ কথা। এতিয়া আমি বুজিলোঁ, যে এইখন গোটা পুৰাণৰ ভাঙনি নহয়, কবিচন্দ্ৰই Cook কৰা অৰ্থাৎ ৰন্ধা ভাগৱত আৰু ভবিষ্য পুৰাণৰ "খিচিৰি।" আৰু প্ৰকাশকদ্বয়ৰ পাতনি পতিয়াবলৈ গলে তেওঁলোক দুয়ো কেইবাখনো হাতে লিখা ভবিষ্য পুৰাণ মিলাই চাই শুধৰাই তাতে মছলা দি তাকে আকৌ নকৈ জুইৰ ওপৰত তুলি



বান্ধি—ৰান্ধনিৰ উৰ্দ্দু ভাষাত কব লাগিলে—"দোপিয়াঁজা" কৰি সুঘ্ৰাণ কৰিছে। যি হওক এতিয়া আমি এটা কুল পালোঁ অৰ্থাৎ পাৰত উঠিলোঁ।

প্ৰকাশকদ্বয়ে কৈছে—"এইখনি অসমীয়া সাহিত্যৰ ভিতৰত এখনি বৰ মূল্যবান পুথি।"—আমি কওঁ নিশ্চয়; কাৰণ ইমান যত্ন বিফলে যাবৰ কথাই নাই। আকৌ তেওঁলোকে কয়—"আজিকালি মানুহে শিক্ষাৰ বা কুশিক্ষাৰ বলত গাৰ বলেৰে যেয়ে যিহকে মন যায় তাকে প্ৰকৃত ঐতিহাসিক তত্ত্ব বুলি প্ৰকাশ কৰা দেখা যায়। মূলৰ প্ৰতি লক্ষ্য কৰা আৰু সেই মূলৰ সাৰ কি তাক অনুসন্ধান কৰা লোকৰ সংখ্যা আমাৰ দেশত ইমান কম যে নাই বুলিলেও অত্যুক্তি নহয়। অনেকক বুঢ়ি আইৰ বা ককা দেউতাৰ বা দেউতাৰপৰা শুনা সাধু কথাৰ ওপৰত নিৰ্ভৰ কৰি জীৱন চৰিত্ৰ লিখা দেখা গৈছে।"

ওপৰৰ এই টোকাৰপৰা আমি জানি আশ্বস্ত হলোঁ যে অন্ততঃ এই কিতাপৰ ৰচক আৰু প্ৰকাশকদ্বয়ে আন কৰ্ত্তব্য অকৰ্ত্তব্য যি কৰক নকৰক, "মূলৰ প্ৰতি লক্ষ্য কৰি" আৰু "মূলৰ সাৰ অনুসন্ধান কৰি", আৰু তাৰ উপৰি, "বুঢ়ী-আইৰ বা ককাদেউতাৰ বা দেউতাৰপৰা শুনা কথাৰ ওপৰত" মুঠেই নিৰ্ভৰ নকৰি, "বৈষ্ণৱ ধৰ্ম্মৰ প্ৰকৃত তত্ত্ব অবগত হৈ" এই "মূল্যবান পুথিখন" যুগুত কৰিছে। সেই দেখি "তেৰাসকলৰ" পিছ ধৰি সাধুকথাৰসিক আমিও "মূলত" ওলাবলৈ থিৰ কৰিলোঁ।

তেওঁলোকে কৈছে—"এই পুথিখনৰ ৰচনাকাৰক ৺কবিচন্দ্ৰ আছিল। ৺ৰাম সৰস্বতীৰ ককায়েক যে কবিচন্দ্ৰ আছিল তাক সকলোৱে জানে।"—এই পুথিখনৰ ৰচনাৰ বিষয়ে যদিও আমি কেনেকৈ খেলিমেলিত পৰি আছোঁ বা আছিলোঁ, ওপৰত দেখুৱাই আহিছোঁ, তথাপি এতিয়া নহয় প্ৰকাশকৰ ব্যাক সাৰোগত কৰি, আৰু ছপা কিতাপৰ একেবাৰেই পিছফালে থকা "কবিচন্দ্ৰই ৰচিলা ছবি" মূললৈ গৈ কবিচন্দ্ৰকে ৰচক বুলি ধৰি ললোঁ। কিন্তু তেওঁ যে ৰাম সৰস্বতীৰ ককায়েক এইটো যদিও পিছ ফলীয়া "মূলৰ প্ৰতি লক্ষ্য ৰখা" আৰু আমাৰ নিচিনাকৈ বুঢ়ী-আইৰ সাধুৰ ওপৰত নিৰ্ভৰ নকৰা স্বভাৱৰ যুগল প্ৰকাশকে কৈছে, তথাপি তেওঁলোকৰ বাক্যৰ বাহিৰে পুথিখনত কতো বিচাৰি ধৰিবলৈ নেপালোঁ। এতেকে প্ৰকাশকৰ বাক্য বা হুকুমৰূপী "মূললৈকে" আমি লক্ষ্য ৰাখি নগলে আৰু উপায়

নাই দেখিছোঁ।—যোৱাই যাওক ; কাৰণ তেওঁলোক বৈষ্ণৱ ধৰ্ম্মৰ প্ৰকৃত তত্ব প্ৰকাশক আৰু বুঢ়ী-আইৰ সাধুৰ ওপৰত নিৰ্ভৰ নকৰোতা লোক তো? তেওঁলোকৰ পিছ ধৰিলে আমি এডোখৰ নহয় এডোখৰ ফৰকাল ঠাইত ওলামগৈ নিশ্চয়। তথাপি তাৰ আগেয়েই তেওঁলোকক একাষাৰ কওঁ যে কবিচন্দ্ৰ হলেই যে তেওঁ ৰাম সৰস্বতীৰ ককায়েক হব লাগিব, এইষাৰ বাক্য আমি হলে জীণ নিয়াব পৰা নাই, যদিও তেওঁলোকৰ পিছ ধৰিলোঁ। কাৰণ কবিচন্দ্ৰ কবিৰত্ন ইত্যাদিৰ নিচিনা উপাধিহে। আগৰ কালত অনেকে সেই উপাধি লাভ কৰিছিল ; আমি অন্ততঃ পাঁচ-ছজনৰ নাম কব পাৰোঁ যাৰ উপাধি কবিচন্দ্ৰ আছিল। বিশ্বাসতে কওঁ—যে তাৰ উপৰিও, যে এই ঘোৰ কলিকালতো আমি স্বয়ং "কদম-কলি" নামৰ "কবিতা'ৰ পুস্তক প্ৰণয়ন কৰি "মহাকবি' পদপ্ৰাৰ্থী হৈ টোপালি বাই আছোঁ, সেই টোৰ কি হব?—অৱশ্যে পোৱা নোপোৱাটো আমাৰ "কিস্মতৰ" ওপৰত! কুমাৰ হৰণ ৰচনা কৰোঁতা শ্ৰীচন্দ্ৰ ভাৰতীৰো উপাধি কবিচন্দ্ৰ আছিল,—"দ্বিজ কবিচন্দ্ৰে কহে এৰা আন কাম'—( ১৪০ সংখ্যক পদ। ) ৰাম সৰস্বতীয়েও কবিচন্দ্ৰ উপাধি পাইছিল—"কবিচন্দ্ৰ মোৰ নাম দেৱানে দিলন্ত"—( মণিচন্দ্ৰ ঘোষ পুথি। ) উদ্যোগ, বন, বিৰাত পৰ্ব্বতো ৰাম সৰস্বতীৰ কবিচন্দ্ৰ, ভাৰতভূষণ, ভাৰতচন্দ্ৰ উপাধি দেখা যায়। "প্ৰণামো মুকুন্দ দেৱৰ চৰণে, গুণে নাহি সম যাৰ। আমাৰ ভাৰত চন্দ্ৰ নাম দিল, কবিচন্দ্ৰ নাম আৰ"—( মণিচন্দ্ৰ ঘোষ )। গদাপৰ্ব্ব প্ৰণেতা কবিৰাজ মিশ্ৰৰো কবিচন্দ্ৰ উপাধি আছিল—"কবিৰাজ মিশ্ৰে কহে মুকুতি উপায়।" "কবিচন্দ্ৰে বোলে যদি হিত কথা ধৰা।" ( গদাপৰ্ব্ব—খগেন্দ্ৰনাথ দাসৰ দ্বাৰাই প্ৰকাশিত )। অকল কবিচন্দ্ৰ উপাধি দেখিয়েই এই পুথিৰ ৰচকক ৰাম সৰস্বতীৰ ককায়েক বুলিলে প্ৰকাশক "আনন্দচন্দ্ৰ দেৱ গোস্বামী বেদান্তবাগীশ কবিবিশাৰদক" আজিকালিৰ কোনোবা উতনুৱা ডেকাই বঙ্গৰ বিখ্যাত পণ্ডিত কালীবৰ বেদান্তবাগীশ নাইবা "হিতবাদীৰ" আগৰ সম্পাদক কাব্যবিশাৰদ বুলি "মূলনৈ লক্ষ্য ৰাখি" খিৰ কৰি পেলালে মহামস্কিল হব, ফলত আমাৰ জন বিদ্যাবাগীশৰ আসাম পৰিত্যাগ ঘটিবৰে কিজানি সম্ভৱ! এতেকে প্ৰকাশদ্বয়ে যে লেখিছে ৺ৰাম সৰস্বতীৰ ককায়েক যে কবিচন্দ্ৰ আছিল



তাক সকলোৱে জানে," ইয়াৰ "সকলোৱে" শব্দৰ মানে, "মূলৰ প্ৰতি লক্ষ্য ৰাখোতা" অকল যুগল প্ৰকাশক হলেই কিন্তু আমালৈ আসোঁৱাহ গুচে।

এতিয়া আমি এই পুথিৰ মূল "ভবিষ্য পুৰাণলৈ" যাত্ৰা কৰোঁ॥ ভবিষ্য পুৰাণৰ বক্তা শুকদেৱ, শ্ৰোতা পৰীক্ষিত। শুকদেৱে পৰীক্ষিতক ভাগৱত কোৱাৰ পিছতে ঠিক এই পুৰাণ কৈছিল, নতুবা ইয়ালৈ সুকণ্ডা নাই—"পৰীক্ষিত নৃপে পাছে পুছন্ত শুকত। শুনিলোঁ কৃষ্ণৰ কথা সাক্ষাতে অমৃত॥ বেদৰ ৰহস্য কথা মহা ভাগৱত। তজু মুখে শুক মই শুনুহুঁ সমস্ত।" অৰ্থাৎ শুনিলোঁ। কিন্তু "ঘোৰ কলিযুগ আসি মিলিল সম্প্ৰতি। কিমতে সাধিব নৰে আপোনাৰ গতি॥" এই প্ৰশ্ন শুনি শুকে কলে "তোমাত কহিলোঁ ভাগৱতক প্ৰচাৰি। * * পাছৰ কথাক শুনিবাক তয়ু মন।" ইত্যাদি কৈ তেওঁ ভবিষ্য পুৰাণ আৰম্ভ কৰিলে, যত অহল্যা গৌতমৰ বিবৰণ, নলচাৰ দামোদৰদেৱৰ অৱতাৰ আৰু ধৰ্ম্মপ্ৰচাৰ আদিৰ বিবৰণ, আৰু দেৱ দ্বিজ নিন্দক পৌণ্ড্ৰক আহি মাধৱদেৱ হোৱা বিবৰণ ইত্যাদি আছে।

শ্ৰীমদ্ভাগৱত শাস্ত্ৰত আছে ( দ্বাদশস্কন্ধ ),—শুকদেৱে একাদশ স্কন্ধ ভাগৱত কোৱাৰ পিছত কলিযুগৰ ভবিষ্যত কথা কিছু কৈ তেতিয়াই গুচি গল। সেই ভবিষ্যত কথাবোৰ দ্বাদশ স্কন্ধত বিস্তৃতৰূপে আছে। তাৰ পিছত সমাধি ধৰি পৰীক্ষিত পৰমাত্মাৰ ধ্যানত নিমগ্ন হল আৰু তক্ষকে তেওঁক দংশন কৰিলে। সেই ভবিষ্যতৰ কথাবোৰত এই কবিচন্দ্ৰৰ বিবৃত দামোদৰ আৰু পৌণ্ড্ৰকৰ অৱতাৰৰ কথাৰ গুংসূত্ৰও বিচাৰি পোৱা নাযায়। এখন ভাগৱত মেলি এই কথা সঁচা নে মিছা সকলোৱে চাব পাৰে। তেন্তে কেতিয়া শুকদেৱে কবিচন্দ্ৰই শুনাকৈ বা তেওঁৰ পুথিৰ মূল ৰচোতাই শুনাকৈ এই শাস্ত্ৰখন পৰীক্ষিতক কৈ গল, সেইটোৰ ভু আমি একো নাপালোঁ। ভাগৱত শাস্ত্ৰকে আমি বৈষ্ণৱসকলৰ প্ৰধান শাস্ত্ৰ আৰু সৰ্ব্ববাদীসম্মত বুলি জানো; তাত লেখা—অৰ্থাৎ শুকদেৱে দ্বাদশস্কন্ধত কোৱাযোৱা আৰু কৈ ততালিকে উঠি যোৱা কথাকে শেষ বুলি আমি সকলোৱে জানো, কাৰণ ভাগৱততে সেই কথা আছে ; তেন্তে তাৰ ওপৰত এই টিংখপ কৰপনা ওলাল আমাক কোন গোসাঁয়ে কব? ওলালেও সি ভাগৱতৰ ওপৰতকৈও প্ৰামাণ্য যে হল এইটো নো হে দেও! আমাক কোনে কৈ দিব? হে দেউতা। পুৰণি সংস্কৃত

"ভবিষ্যপুৰাণ" কোনবাই ৰচনা কৰা থাকিলেও সি নো ভাগৱতৰ ওপৰত "টুকপ" কৰে কেনেকৈ তাকো আমাক কোন পাকৈত "তাছ খেলোৱাৰে" কৈ দিব? এনে "টুকপ" ৰাম সৰস্বতীৰ ককায়েকে নেলাগে দদায়েকে মাৰিলেও "তাছৰ পাতৰ পিঠ" তেওঁৰ হোৱাটো মঙ্গিল বুলি আমি জানো। "ভবিষ্যত কথাৰ" প্ৰকাশক যুগলৰ মূলৰ প্ৰতি লক্ষ্য আৰু তত্ত্বানুসন্ধানবোৰ এনেকুৱাই হলে আমাক তেওঁলোকে "কৃপা কৰি" গছত তুলি গুৰি কাটি দিব দেখিছোঁ! ৬ পিঠিত আছে, শুকদেৱে পৰীক্ষিতক কৈছে "পুছিলা ৰহস্য যিটো কথা মনোহৰ। ব্ৰহ্মাৰ গোপনি ইটো দুৰ্লভ দেৱৰ॥ ইন্দ্ৰচন্দ্ৰ আদি কৰি যত দেৱগণ। ইটো কথা নজনান্ত ই তিনি ভুবন॥" ইয়াৰ দ্বাৰাই আমি বুজিলোঁ যে এই ত্ৰিভুৱনৰ বাহিৰা "সৃষ্টিছাড়া" কথাবোৰ শুকদেৱে পৰীক্ষিতক কলে (অৱশ্যে কেতিয়া কলে তৎ ধৰিব নোৱাৰিলোঁ; কাৰণ তাতৈ সমূলী সুকভা নাই) আৰু কবিচন্দ্ৰই বা তেওঁৰ মূল "ভবিষ্য পুৰাণ" কৰ্তাই পিছ-ফালৰপৰা শুনিলে আৰু সেই কথা মূলৰ প্ৰতি লক্ষ্য ৰখা আমাৰ প্ৰকাশক যুগলে এতিয়া সেই "ভবিষ্য পুৰাণ" "ওৱাকিপ" হৈ সত্যৰ অনুৰোধত প্ৰকাশক কৰিলে; আৰু চুৰ্কপনীয়া বুঢ়ী-আইৰ সাধুৰে কোনো জীৱন-চৰিত্ৰ ৰচোতাৰ ভাগ্যত তেনে সুযোগ নঘটিল!

"ব্ৰাহ্মণী স্বৰূপে পুনু দৈৱকী সুন্দৰী, উতপতি হৈদন্ত সুশীলা নাম ধৰি॥ • • পূৰ্ব্ব পুণ্য ফলে পাছে শুশীলা গৰ্ভত। পূৰ্ণব্ৰহ্ম হৰি আসি জন্মিব সাক্ষাত॥ দামোদৰ নাম হৈব লোকত প্ৰকাত।' (৮ আৰু ৯ পিঠি।) এই খিনিতে কওঁ যে "পৰম ভাগৱত ৺ভট্টদেৱ কবিৰত্ন বিৰচিত. শ্ৰীলম্বসুৰাম চৌধুৰী কৰ্ত্তৃক প্ৰকাশিত সৎসম্প্ৰদায় কথা" কিতাপে হলে কয়—"সেই বেলা দামোদৰ মাধৱ দেখিতে মণিকুটে যাই তাক (চৈতন্যক) দেখি দুৰ্লভ লাভ হৈলা বুলি প্ৰণাম কৰি বোলে হে মহাপ্ৰভু মই দৰিদ্ৰ ব্ৰাহ্মণ কিছো আশীষ মাগোঁ! চৈতন্যে বোলে কেন মতে তুমি দৰিদ্ৰ হৈলা। দামোদৰে বোলে স্বদেশৰ পৰা নামি আহন্তে ভাঁতিমবাত নৌকা বুৰি সৰ্ব্বস্ব উটিল; তিনটি প্ৰাণী কাঁপিত ধৰি দিগম্বৰে ভৰিলোঁ। পাচে শঙ্কৰে বস্ত্ৰ তিনিখানি পৰিধান কৰাই নিকটে ৰাখিছে। পাচে চৈতন্যে বোলে হে দামোদৰ নশ্বৰ বস্তত খেদ নকৰ। তুমি ঈশ্বৰৰ পাৰ্ষদ। লক্ষ্মীৰ কোপে গৌতমৰ বংশত জন্মিছা।



পুনু তান বৰে তিনি পীঠত পূজ্য হই নিজ ঐশ্বৰ্য্যকে পাই এই ৰহস্য কই তাক তত্ত্ব জ্ঞান দি উদ্ধাৰ কৈলা। লক্ষ্মীবাক্যঃঃ—

"বৎস গচ্ছ দ্বিজো ভূত্বা কলৌ মণিময়া চলে।
নাৰদানুগ্ৰহেণৈৱ জ্ঞানলব্ধেঃ স্থাস্যতি।
কামৰূপে হয়গ্ৰীৱে মাধৱাচল সন্নিধৌ।
নাৰদাভিৰূপেণৈৱ তস্মৈ জ্ঞানমদাৎ পুনঃ॥"

(সৎসম্প্ৰদায় ৩১ পিঠি)

কৃষ্ণ লক্ষ্মীৰ স্বামী; তেওঁক লক্ষ্মীয়ে কেতিয়াও "বৎস্য" সম্বোধন নকৰে। এতেকে পাৰ্ষদ হোৱাটো শ্ৰীযুক্ত লম্বসু মহাশয়ৰ "সৎসম্প্ৰদায়েৰে" মিলে। কিন্তু কবিচন্দ্ৰৰ শুকপ্ৰোক্ত "সন্ত চৰিত্ৰ" পুথিয়ে ইয়াৰ প্ৰতিবাদস্বৰূপে কয়—দামোদৰ দেৱ "পূৰ্ণব্ৰহ্ম হৰি আসি জন্মিলা সাক্ষাত।" শ্ৰীযুক্ত লম্বসু মহাশয় প্ৰকাশিত ভট্টদেৱ বিৰচিত "সৎসম্প্ৰদায়ৰ কথা" পুথিয়ে কয়,—মহাপ্ৰভু চৈতন্য যি সাক্ষাত শ্ৰীকৃষ্ণৰ অৱতাৰ আৰু যি দামোদৰ দেৱক তত্ত্বজ্ঞান দি শিষ্য কৰিলে তেওঁ দামোদৰ দেৱক মুখৰ আগতে কলে, 'তুমি ঈশ্বৰৰ পাৰ্ষদ। লক্ষ্মীৰ কোপে গৌতমৰ বংশত জন্মিছা' এই কথাৰ সমৰ্থনস্বৰূপে লক্ষ্মীৰ বাক্যং শ্লোকং এটাও তেওঁক ৰচনাৰ পিঠিত দিছে! দামোদৰীয়া সকলো পুথিতে (গুৰুলীলা, ঘোষাৰত্ন, সন্ত চৰিত্ৰ ইত্যাদি) আমি পাইছোঁ, দামোদৰদেৱ পূৰ্ণব্ৰহ্ম শ্ৰীকৃষ্ণৰ অৱতাৰ; এতিয়া ভট্টদেৱ—যাক দামোদৰদেৱে তেওঁৰ শিষ্যৰ ভিতৰত প্ৰধান স্থান দি পাটবাউসীত অধিকাৰ পাতি থৈছিল, সেই ভট্টদেৱে তেওঁৰ পুথিত গুৰু চৈতন্যৰ হতুৱাই শিষ্য দামোদৰ দেৱৰ মুখৰ ওপৰতে কোৱালে যে দামোদৰ কৃষ্ণৰ জয় বিজয় সুনন্দ নন্দ আদিৰ নিচিনা পাৰ্ষদহে, আগেয়ে যেনেকৈ লক্ষ্মীৰ কোপত পৰি জয় বিজয়ৰ পতন হৈ মনুষ্য লোকত জন্ম হৈছিল, এতিয়াও লক্ষ্মীৰ কোপত তেওঁৰ তেনেকৈ গৌতম বংশত জন্ম হল। এতিয়া আমি যাওঁ কলৈ? কৰোঁ কি? চাৰিও ফালে এন্ধাৰ দেখিছোঁ! সৰিয়হৰ ফুলো দুটা-চাইটা ভাৰ লগতে দেখিছোঁ! ভট্টদেৱ হেনো ব্যাসৰ অৱতাৰ অৰ্থাৎ বেদব্যাসৰ। এতিয়া আমি বেদব্যাসৰ কথা মানিম নে,

গোপাল মিশ্ৰ, ৰাম ৰায় দ্বিজ, আৰু কবিচন্দ্ৰ প্ৰভৃতিৰ—ঘোষাৰত্ন, গুৰুলীলা, সন্তচৰিত্ৰৰ কথা মানিম ? হে হৰি ! আমাক বাট দেখুৱাঁ !

"সৎসম্প্ৰদায়ৰ কথাই" এটা কিন্তু আমাৰ খুদুৰি মাৰিলে। আন বিলাকত নাবদে দামোদৰদেৱক দীক্ষা দিয়া কথা আছিল দেখি আমি সত্য ত্ৰেতা দ্বাপৰৰ নাৰদে কেনেকৈ সেই কাৰ্য্য কৰিলে ভাবি নাপাইছিলোঁ। "সৎসম্প্ৰদায় কথা" পুথিয়ে কৈছে যে চৈতন্য দেৱেই হে সেই নাৰদৰ ভাও দি নাৰদৰ চেষ্টা দেখুৱাইছিল, তেওঁ আচল নাৰদ হয় ;—"পাচে হাতে বীণা ধৰি কৃষ্ণ নাম গাই নাৰদৰ শ্ৰেষ্ঠ দেখাইলা" (৩০ পিঠি)। যাওক, কথাটোৰ এটা গতি লাগিল তেও। "ভবিষ্যৎ কথাৰ" ৯ পিঠিত আছে যে দামোদৰ দেৱ "ব্ৰাহ্মণ কুলৰ হৈব মহা উপকাৰী। তপ জপ যজ্ঞ দান থাকিব আচৰি।"—পাঠক ! এইটি সঁচাৰকাঠি পালা নে ? কিন্তু এজনক ঈশ্বৰৰ অৱতাৰ বুলি তাৰ পিছত তেওঁক এনেকুৱা একুলৰ ফলীয়া কৰাটো কিমান সঙ্গত হৈছে, ভাবি চাবৰ বিষয় হৈছেহি। এই পিঠিৰপৰা আৰু আৰাবচেৰেক তুলি দিওঁ—"জগতে সহায় হৈব শঙ্কৰ মহন্ত। হৰিগুৰু সমে মহা প্ৰীতি কৰিবন্ত। মাধৱৰ কপট আচাৰ বিনাশিব শঙ্কৰ সহিতে মাধৱক জ্ঞান দিব॥" এইটি আৰু এটি সঁচাৰকাঠি। আমি অনেকবাৰ আগেয়ে এই কাঠিৰ বিষয়ে কৈছোঁ, আজি আৰু কথা নিদীঘলাওঁ। কিন্তু "সৎসম্প্ৰদায়ত" ভট্টদেৱে কৈছে যে বেচেৰা মাধৱদেৱক কোনেও জ্ঞান নিদিলে,—অৰ্থাৎ দামোদৰদেৱৰপৰা অহঙ্কাৰ কৰি তেওঁ শৰণ নললেই, শঙ্কৰদেৱেও সেইদেখি নিদিলে ; গতিকে নিৰুপায় হৈ বেচেৰা মাধৱদেৱে "নামমালিকা" পুথিখনৰপৰাই জ্ঞান ললে,—সৎসম্প্ৰদায়ৰ দশম অধ্যায় ৪২ পিঠিত আছে—"শঙ্কৰে বোলে দামোদৰত উপদেশ লৱা। মাধৱে বোলে দামোদৰ কঙ্গাল • • । শঙ্কৰে বোলে তবে ৰাম ৰাম গুৰুতে লৱা, মাধৱে বোলে তেহোঁ কৰ্ম্মকাণ্ডী ব্ৰাহ্মণ ; শঙ্কৰে বোলে তবে মঞি শূদ্ৰ, কেনে উপদেশ দিম ; ভাল তবে মোৰ সঙ্গে থাকি এই নামমালিকাৰ সেৱা কৰা। এই বুলি নাম মালিকা দিলা। পাচে মাধৱে তাৰ আগ পাছ চাই বোলে মঞি সমস্তে পাইলোঁ। আৰু আমাক কিছো উপদেশ নালাগে।" এতিয়া আকৌ "সন্ত চৰিত" পুথিত কবিচন্দ্ৰই কয় শুকদেৱৰ ভবিষ্য পুৰাণৰ মুখত ধৰি,—"দামোদৰে



মাধৱক শঙ্কৰে সহিতে জ্ঞান দিবে" বুলি। শুকদেৱৰ কথাও এই দৰে নফলিয়ালে আমি কিন্তু নিৰুপায় ; আমাৰ কথাৰ সাক্ষী ভট্টদেৱেই। ভট্টদেৱ কিন্তু ব্যাসৰ অৱতাৰ আৰু শুকদেৱ ব্যাসৰ পুতেক। এতেকে এইখন বাপেক পুতেকৰ থকুৱা difference মতৰ দ্বৈধ বা দ্বন্দ্ব বুলি আমি তাক এৰি দি আকৌ আমাৰ প্ৰকাশকসকলেৰে সৈতে "লক্ষ্য ধৰি" চলোঁ। অ কৰবৈল পাহৰিছোঁ যে দামোদৰ দেৱে "হৰি গুৰু সমে প্ৰীতি কৰিবন্ত" বুলিয়েই কবিচন্দ্ৰৰ "ভবিষ্যৎ কথাই" তেতিয়া ভবিষ্যৎ বাণী কৰি এৰিলে, কিন্তু হৰিগুৰুৱে পিছত দামোদৰদেৱক তাতে নেৰিলে, তেওঁক ধৰ্ম্মজ্ঞান দি হে এৰিলে। (বাঁহীত ওলোৱা হৰিদেৱৰ চৰিত্ৰ চোৱাঁ।) "সৎসম্প্ৰদায় কথাতো" ব্যাসাৱতাৰ ভট্টদেৱে কিন্তু দামোদৰ দেৱৰ হতুৱাই হৰিদেৱক শৰণ লগোৱাই দামোদৰক হৰিদেৱৰ গুৰু পাতিলেই, অৰ্থাৎ পুতেক শুকদেৱৰ কথালৈ কাণ নিদি অকল প্ৰীতিতে কুট নিদিলে।—"পাচে দামোদৰৰ এই প্ৰবৰ্ত্তনি শুনি যাদবেন্দ্ৰ পুৰি, সন্তদেৱ, হৰিদেৱ, অনন্ত কন্দলি, ৰামদাস এই পাঞ্চ জনে বাদ কৰিবে মনে পাট বাউসীক আহি বোলে • • । এই শুনি পাঞ্চজনে • পাচে দামোদৰক গুৰু মানিয়া নামৰ নিৰ্ণয় লৈল। পাচে দামোদৰে পটল দি সবাকে শিষ্য ভজাইবে দিলা।" (৪০ পিঠি) বাপ-পো দুই শাস্ত্ৰকাৰৰ ভিতৰত দ্বন্দ্ব পৰিলেই দেখিছোঁ ! "ভবিষ্যত কথাত" আছে বিষ্ণুৱে সদাশিৱক কলে—

"তুমি (শঙ্কৰ) জগতৰ গুৰু ভকতৰ কল্পতৰু
শুনিয়োক মোহোৰ বচন।
লোকৰ চিন্তিয়া হিত নিস্তাৰিয়ো ত্ৰিজগত,
পৃথিবীত হুয়ো উপসন।
প্ৰকাশিবা কৰ্ম্মচয় তজু সঙ্গে সমস্তৰ,
হৈব মহা বৈষ্ণৱ পৰম।
তজু নাম গুণ যত ঘুষিবেক ত্ৰিজগত
শঙ্কৰ হৈবেক তজু নাম।"

দামোদৰীয়া কবিচন্দ্ৰৰ পুথিত পুতেক শুকদেৱে শঙ্কৰক "তুমি জগতৰ গুৰু" বুলি কলে, আৰু ভটদেৱ ব্যাসাৱতাৰ বাপেকে "সৎসম্প্ৰদায়ত"

শঙ্কৰক আনৰ যে গুৰু হব নিদিয়েই মাধৱদেৱৰো গুৰু হব নিদিয়ে! বাপেক পুতেকৰ মনান্তৰৰ আৰু পকা দন্দৰ পিছত এতিয়া হতাহতি হবগৈ নে কি!

এবাৰ কথা 'সন্তচৰিত্ৰৰ' ৪৯ পিঠিত আছে—শুকদেৱে, বিষ্ণুৱেই গৌতমৰ বংশত আহি দামোদৰ ৰূপে অৱতাৰ হব এই কথা পৰীক্ষিতক কৈ থাকোতেই পৰীক্ষিতৰ মুখত কিবা ভাৱৰ পৰিবৰ্ত্তন দেখিলে নে কি কব নোৱাৰোঁ, শুকদেৱে হে জানে, তেওঁ খপ্ কৰে কলে "সম্প্ৰতি নকৰা যদি আমাৰ বচন। বিচাৰি চাহিয়ো তবে নাৰদী পুৰাণ॥" এইটো বৰ টান কথা কিন্তু! শুকদেৱে পৰীক্ষিতক ১২ স্কন্ধ ভাগৱত শুনালে, পৰীক্ষিতে তেওঁৰ মুখৰ কথামৃত পান কৰি ঈশ্বৰত মজি তক্ষকৰ দংশনলৈ সাজু হল, তাৰ পিছতো শুকৰ বাক্যত পৰীক্ষিতৰ অবিশ্বাস!! আৰু শুকে তেওঁক নাৰদী পুৰাণ মেলি বিচাৰি চাই প্ৰমাণ লবলৈ কলে তেনে সময়ত! কি মস্তিলৰ কথা! শুকদেৱে কত সৃষ্টিতত্ব, ধৰ্ম্মৰ কথা, জ্ঞানযোগ, ভক্তিযোগৰ কথা, আৰু ঈশ্বৰে চতুৰ্ব্বিংশতি অৱতাৰ ধৰাৰ কথা, আৰু তাৰ উপৰি যুগে যুগে অসংখ্যাত অৱতাৰ ধৰাৰ কথা পৰীক্ষিতক শুনাই গল, পৰীক্ষিতে সেইবোৰ বিশ্বাস কৰি গল, শেহত ঈশ্বৰৰ ইমান ডাঙৰ পূৰ্ণব্ৰহ্মৰ অৱতাৰ এজনৰ কথাত হে তেওঁৰ খুকুৰি লগা যেন শুকদেৱে দেখিলে আৰু দেখি তেওঁ নাৰদী পুৰাণৰ "নজীৰ" তেওঁৰ আগত উলিয়াব লগাত পৰিল? আৰু কেতিয়া?— যেতিয়া পৰীক্ষিতৰ সকলো সন্দেহ গৈ তেওঁ ঈশ্বৰত মগ্ন হৈ আছিল। পোৰা সন্দেহ-জ্বৰে এৰিলেও তাৰ কৰ্পটিয়ে নেৰে দেখোন? কি কপাল!

বিষ্ণুৱে শঙ্কৰক অৱতাৰ হবলৈ কৈ আৰু কোন কোন তেওঁৰ কাৰ্য্যৰ সহায়ক হৈ পৃথিবীলৈ যাব তাক এই পুথিত কৈছে;—"মোৰ মহা প্ৰিয়তম, মোৰ তেজবীৰ্য্য সম, চাৰি সিদ্ধ ব্ৰহ্মাৰ মানস। মোহোৰ ইঙ্গিত জানি চাৰি মহা ব্ৰহ্মজ্ঞানী পৃথিবীত হৈবেক প্ৰকাশ। প্ৰথমে শঙ্কৰাচাৰ্য্য, পৰম বৈষ্ণৱ তেজ, তাৰপৰে চৈতন্য গৌৰাঙ্গ। হৰিব্যাস, ৰামানন্দ সৰ্ব্বশাস্ত্ৰে বিশাৰদ, মহাজ্ঞানী মানি নিবা সঙ্গ।" চাৰি সিদ্ধ অৰ্থাৎ সনক, সনন্দ, সনতকুমাৰ, সনাতন। এওঁলোক শঙ্কৰাচাৰ্য্য, চৈতন্য, হৰিব্যাস, আৰু ৰামানন্দ হৈ জন্ম লব। এইবাৰ কলে শুকে ভৱিষ্যপুৰাণত বা ভৱিষ্যত



কথাত। ব্যাসাৱতাৰ ভট্টদেৱে অৰ্থাৎ বাপেকে "সৎসম্প্ৰদায়ত" কলে—শঙ্কৰ অৰ্থাৎ শিৱই শঙ্কৰাচাৰ্য্য হৈ জন্ম হল (১? পিঠি)। আৰু চৈতন্য কৃষ্ণৰ অৱতাৰ (২৬ পিঠি)। পাঠক! বাপেক পুতেকৰ থকৰা মতানৈক্যৰ কোব বাঢ়ি হে আহিল। আঁতৰি দূৰৈৰপৰা সেই কলহ চোৱাই হে এতিয়া যুক্তিসঙ্গত; নহলে লপা-থপা চিটিকি উফৰি আহিবও তো পাৰে। "আত্মানং সততং ৰক্ষেৎ।" আৰু কোন কোন কি কি হল সন্তচৰিত্ৰৰ শুকদেৱে কয় শুনা;—হৰিগুৰু অনন্তৰ অৱতাৰ, ভট্টদেৱ ব্যাসৰ, বংশী দেৱ বা বংশী গোপাল নাৰদৰ, শুক নিজেই সত্যদেৱ হৈ অৱতাৰ, ভগৱান দুৰ্ব্বাসাৰ, ইত্যাদি। হৰিদেৱী আৰু বংশীগোপালৰ পন্থীয়াসকলে এই সন্তচৰিত্ৰৰ ব্যাখ্যা গ্ৰহণ কৰক পাৰে যদি। এই ভৱিষ্যত "লিষ্টিত" গোপাল মিশ্ৰই যে "ঘোষাৰত্ন" ৰচনা কৰিব সেই কথা নেদেখি আমি আচৰিত মানিছোঁ। আকৌ বিষ্ণুৱে শঙ্কৰক কৈছে "শুনিয়োক ত্ৰিপুৰাৰি, তনু শুদ্ধ মত ধৰি, স্ত্ৰী শূদ্ৰ সবেও তৰিব।" (৫৫ পিঠি)। ইয়াৰ পিছত কৈছে— "যত মহাজ্ঞানী লোক, তুমি আমি দুহাস্তক, দেখিবন্ত একে কলেৱৰ: * * তোমাক আমাক যিটো, ভিন্ন ভাব কৰি মানে, শুনা কহো তোমাৰ আগত। সিটো নৰ আত্মঘাতী, তাৰ আৰ নাই মুক্তি, সদায় থাকিব নৰকত" (৫৬ পিঠি)। এই পুথি দুখনৰ কথাবোৰ যেনেই হওক দুয়োখনে এইটো স্বীকাৰ কৰিছে যে "শঙ্কৰী দামোদৰীৰ ভেদ নাই।" (সৎসম্প্ৰদায় ৪৫ পিঠি)। এই কথাই নাও পাৰৰ কাৰ চপালেই।

যাওক, আৰু আজিলৈ আমি সামৰিলোঁ। এই পুথি দুখন আগৰপৰা শুৰিলৈকে সমালোচনা কৰিবলৈ গলে তাৰ শেষ কত হব কব নোৱাৰোঁ। পৰস্পৰ Contradictiory বিৰোধ, নিজৰ সম্প্ৰদায়ৰে ভিতৰুৱা আন পুথিৰ কথাৰে ভয়ানক অমিলবোৰ দেখুৱাই আমাৰ আমনি নিশ্চয় লাগিব। গুৰুৰ বিষয় এনে পুথিকে প্ৰামাণ্য গ্ৰন্থ বুলি প্ৰকাশ কৰি লোকক আক্ৰমণ কৰা হৈছে! দুইখন পুথিৰ আন উদ্দেশ্যৰ ভিতৰত থাই এটা উদ্দেশ্য হৈছে,— মাধৱদেৱক আৰু তেওঁৰ প্ৰৱৰ্ত্তিত মহাপুৰুষীয়া সম্প্ৰদায়ক জঘন্য প্ৰকাৰে আক্ৰমণ কৰা। "সৎসম্প্ৰদায় কথা"ৰ শেহ ডোখৰ পঢ়ি চালেই আমাৰ কথা বৰ্ণে বৰ্ণে সঁচা পাব। আজিলৈ আৰু "সৎসম্প্ৰদায়ৰ কথাৰ" বিষয়ে নকওঁ,

প্ৰবন্ধ দীঘল হৈ পৰিল। আমি সোধোঁ, এনে পুথি প্ৰকাশ কৰি আমাৰ শিক্ষিতসকলে কাৰ মঙ্গল কৰিব খুজিছে? দেশৰ তো নহয়েই, নিজৰ সম্প্ৰদায়ৰো নহয়; কাৰণ তেওঁলোক আৰু গোলমালত হে পৰি যাব। তাহানি আমাৰ "মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ শ্ৰীমাধৱদেৱ" কিতাপ ছপা কৰি, এখন আমাৰ এজন দামোদৰীয়া সম্প্ৰদায়ভুক্ত বিশিষ্ট বন্ধুলৈ পঠিয়াই দিছিলোঁ। বন্ধুৱে কিতাপখন পাই আমালৈ লেখিলে যে দামোদৰীয়াৰ ফালৰপৰাও আচল কথা ছপা কৰি উলিয়াবৰ চেষ্টা হৈছে। আমি শুনি বৰ ৰং পাইছিলোঁ, যে সঁচা কথা, সত্য ইতিহাস, আৰু ধৰ্ম্মৰ কথা যিমানকে ওলায় সিমান ভাল। কিন্তু তেওঁক এতিয়া আমি সোধোঁ, সেই চেষ্টাৰে এই আৰম্ভন নে? মহাপুৰুষ মাধৱদেৱ পুৰুষক আৰু মহাপুৰুষীয়াক এনে লিপ-লগা প্ৰকাৰে ভেটিশূন্য কথাৰে আক্ৰমণ কৰিলেই সি সত্যপ্ৰচাৰ হল নে? সেই কথাবোৰ পুথিত (ধৰি লওঁ পুৰণি পুথিতে) কোনবাই স্বাৰ্থ সিদ্ধিৰ নিমিত্তে লেখি গল বুলিয়েই সি সত্য হবৰ ক্ষমতা পালে নে? মাধৱদেৱ, শঙ্কৰদেৱ, আৰু মহাপুৰুষীয়াবোৰৰ সকলো কথা তেওঁলোকৰ বিপক্ষৰ লোকে হে মাথোন জানে নে কি? তেওঁলোকে নিজে নাজানে নে কি? কথা কলে তাৰ আনুষঙ্গিক প্ৰমাণ নালাগে নে? পুথি এখন লেখি তাত গালি ভৰাই থলেই হল নে? আমাক সত্য হে লাগে, facts হে লাগে, গালিতো নেলাগে। আমাৰ বন্ধুৱে কওকচোন, কোনো মহাপুৰুষীয়া পুথিত দামোদৰ দেৱক বা দামোদৰীয়াক "সৎসম্প্ৰদায়ৰ" পুথিৰ নিচিনাকৈ তেওঁ গালি পৰা দেখিছে নে? মহাপুৰুষীয়াই দামোদৰক তেওঁলোকৰ পুথিত "কোৰ দামোদৰ" বুলিছে আৰু শঙ্কৰদেৱে অন্নবস্ত্ৰ দি প্ৰতিপাল কৰি ধৰ্ম্মক দিয়া বুলিছে, আৰু পিছত মাধৱদেৱৰে সৈতে মনান্তৰ হলত শঙ্কৰৰ ধৰ্ম্মৰপৰা লৰা বুলিছে;—এয়েই বৰ গালি নে? ইয়াৰ দুটা এটাৰ বাহিৰে দামোদৰীয়া সম্প্ৰদায়ৰ প্ৰচাৰিত পুথিত বাকীবোৰ স্বীকাৰ কৰা হোৱা নাইনে? ওপৰত তুলি দিয়া তেওঁলোকৰ প্ৰচাৰিত পুথিৰ টোকাবোৰে কি কয়? অথচ তেওঁলোকৰ এই দুই পুথিত, যাইকৈ 'সৎসম্প্ৰদায় কথা"ত কি ভয়ানক কুবাক্য মাধৱদেৱ আৰু মহাপুৰুষীৰ প্ৰতি প্ৰয়োগ কৰা হৈছে, তেওঁ চাওকচোন। এনে কুবাক্য যে সেইবোৰ উচ্চাৰণ কৰিব নোৱাৰি।



মাধৱদেৱ পুৰুষ সঁচাকৈয়ে এনে ঘৃণনীয় লোক আছিল নে? তেওঁৰ সত্ৰ-সভা, গ্ৰন্থ আৰু works কীৰ্ত্তিবোৰে কি কয়? সেইবোৰ তেওঁৰ জীৱন চৰিত্ৰ life নহয় নে? সেইবোৰ এটাইবোৰ "সৎসম্প্ৰদায়" লেখোতাৰ কথাতে আমি দলিয়াই পেলাম নে? এই "চটি" কিতাপ লেখোতাজন (তেওঁ যেয়েই হওক) ইমান মূল্যবান নে যে তেওঁক বৰপীৰা পাৰি দি বহুৱাই আমাৰ যোৱা বত্নাৱলী সত্ৰ-সভা প্ৰভৃতি আমাক দিওঁতা, চিৰকুমাৰ ব্ৰতধাৰী সাত্বিক চৰিত্ৰৰ মহাপুৰুষ মাধৱদেৱৰ গাত বেয়া ছাব মাৰি তেওঁক উলিয়াই দিম? এই "Jewel" সৎসম্প্ৰদায় গ্ৰন্থলেখোতাক পোৱাহেঁতেন গোটেই আসামে নকলেহেঁতেন নে যে হে গ্ৰন্থকৰ্ত্তা, তাৰ আগেয়ে তোমাৰ "চটি" কিতাপখন তুমি টোপোলা বান্ধি লৈ হংকং কুৰি আহা গৈ আৰু উভতি আহা যদি সেইখন তাতে দয়া কৰি থৈ আহিবা? বোলোঁ এই কুবাক্য-বোৰেৰে দেশৰ কি উপকাৰ হব? এনে গালি যদি কোনোবা ক্ষুদ্ৰ মনৰ মানুহৰ দ্বাৰাই কোনোবা "পুৰণি" পুথিত আছিল, তাক প্ৰকাশ কৰি ভাল কাম কৰা হৈছে নে? আমি কওঁ, যদি এনেকুৱা প্ৰমাণৰ সঙ্কলিত আমাৰ দামোদৰীয়া বন্ধুসকলে প্ৰকাশ কৰিবলৈ গোটাইছে হে, তেন্তে আৰু ক্ষান্ত দিলেই ভাল, কাৰণ তাৰ দ্বাৰাই তেওঁলোকৰ case strong নহয়েই যে সেইটো নিশ্চয়, বৰং আন প্ৰকাৰেহে দেশৰ অনিষ্ট হব।

---

# বিৰহ।

## ( গীত )

প্ৰাণনাথ হে!—বিৰহ কাতৰ হলোঁ।
দীঘল দিনটো, ৰাতিটো গোৱালোঁ,
আজিও লগ নাপালোঁ।
নপচাৰোঁ চকু, নীৰৱ এই বুকু,
সঁহাৰি পাবৰ মনে।

ফুলা ফুলকেইটি অলব-অচৰ,
নিজম হৃদি-কাননে।
নিচুক ৰাগিনী, স্তম্ভিত নাচোন,
প্ৰেমৰ প্ৰবাহ থিৰ।
মলয়া বতাহ হিয়াত থমকিল,
সোতহীন তেজশিৰ।
নিৰাশাত ফুল লেৰেলিব যোজে,
পাহিটি খহিব ধৰে।
চকুৰ পানীৰে জীয়াই ৰাখিছোঁ,
নতু এতিয়াই মৰে।
কন্দুৱাই মোৰ কি সুখ পাইছা,
চকু-লো সম্বল মই।
অশোক ফুলিয়েও শোকত কান্দিছে,
পদুমো পৰিছে জয়।
নিঠুৰতা নিজ লাজত সঙ্কোচ,
জোনে ওন্দোলাইছে মুখ।
যন্ত্ৰণাত প্ৰাণ চটফট নাপ!
আৰু মোক নিদিবা দুখ।
কঠিন সংসাৰ নোৱাৰোঁ যুজিব,
হৃদয় ক্ষত-বিক্ষত।
দুৰ্দ্দান্ত বিষয় বাসনা মায়াপী,
হাঁহিছে হাঁহি বিকট।
হিয়াৰ ফলিত নামটি তোমাৰ,
আঁকিছোঁ যতন কৰি।
তাকে মছিবলৈ যখিনী প্ৰেতিনী
ফুৰিছে লৰি ঢাপৰি।
নোৱাৰে মছিব, মৰিও ৰাখিম,
মধুৰ তোমাৰ নাম।



আহাঁ প্ৰাণস্বামী! চোৰাঁ উজলিছে,
হেৰা মোৰ প্ৰাণাৰাম।
শৰত কালৰ পূৰ্ণিমাৰ ৰাতি,
হৃদয়-বৃন্দাৱন।
ফুল-শয্যা পাতি বাটচাই আছোঁ,
আহাঁ মোৰ প্ৰাণধন!

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা।

---

# অসমীয়াৰ আহাৰ আৰু স্বাস্থ্য।

স্বাস্থ্যৰ নিমিত্তে মিতাহাৰ আৱশ্যক। কিন্তু অকল মিতাহাৰী হলেই যে স্বাস্থ্য ৰক্ষা হব এনে নহয়, লগে লগে যি আহাৰৰ দ্বাৰাই আমাৰ শৰীৰ মেধাবী হয়, বল শক্তি বৃদ্ধি হয়, উৎপন্ন ৰোগক বৃদ্ধি হবলৈ বাধা দিয়ে এই বিষয়ে বিশেষ চকু দিব লগীয়া। গুৰুপাক, কেঁচা, গেলা পচা ইত্যাদি যিবিলাক আহাৰৰ দ্বাৰাই শৰীৰত ৰোগে বাহ লবলৈ চেলু পায় বা ৰোগবৃদ্ধি হয় সেইবিলাক আহাৰ এৰিবলৈ যত্ন কৰা একান্ত বিধেয়।

এই কথা বোধকৰোঁ কোনেও দুই নকৰে যে আমি প্ৰত্যেক দিনে যি খাওঁ সেই আহাৰৰপৰা সাৰাংশটি নিগৰাই নিয়েই শৰীৰৰ সপ্তধাতুত পৰিণত হয়। অসাৰ অংশটো মলৰূপে বাহিৰ হৈ যায়। ভাল বস্তুৰ সাৰাংশ সপ্তধাতুত পৰিণত হয়, বেয়া বস্তুৰ সাৰাংশও যে সপ্তধাতুত পৰিণত নহয় এনে নহয়; সেই কাৰণে আমি আহাৰ্য্য দ্ৰব্যবিলাক বিশেষকৈ চাই-মেলি আহাৰ কৰা উচিত। বেয়া বস্তুৰ সাৰাংশ শৰীৰত বৃদ্ধি পালেই নানাৰোগে বাহ লবলৈ চেলু পায়।

আন এটা আহাৰৰ কথা এই যে দুপৰীয়া প্ৰায় ১০। ১১ বজাৰ সময়তে সকলো ধাতুৰে পিত্ত প্ৰকোপ হয়। সেই সময়ত আহাৰ কৰিলে আমাৰ পৰিপাক শক্তিয়ে সহজে জীণ নিয়াব পাৰে। সেই দৰে ৰাতিও ১০মান বজাৰ সময়েই ৰাত্ৰি আহাৰৰ নিয়মিত সময়। দিনত যেনেকৈ আমাক পৰিপাক শক্তি বৃদ্ধি হবলৈ শাৰীৰিক ব্যায়াম লাগে, ৰাতিৰ আহাৰ জীণ

যাবলৈকো ঠিক টোপনি লাগে। আৰু শৰীৰৰ ইন্দ্ৰিয়বোৰক বিশ্ৰাম দিবলৈ টোপনি লাগে আৰু সেই টোপনিৰ বিষয়ে নানা পণ্ডিতৰ নানা মত। তথাচ সাধাৰণ ডেকাবিলাকক ৬।৮ ঘণ্টা সময় টোপনি লাগে। বয়স অনুসৰি টোপনিৰ সময়ৰ প্ৰভেদ আছে। Principles of Diet-অত লিখা মতে কেচুৱাক ১৮ ঘণ্টা, লৰাবিলাকক ১৬ ঘণ্টা, অলপ বয়সস্থবিলাকক ১২ঘণ্টা, ১২।১৩ বছৰীয়াবিলাকৰ কাৰণে ১০ ঘণ্টা টোপনি লাগে। এই টোপনি আহিবলৈকো বিশেষ যত্ন ৰখা উচিত। টোপনিৰ দৰে ব্যায়ামো এটা বৰ লগতীয়াল। ব্যায়াম নহলে আমাৰ খোৱা বস্তুবোৰ সহজে জীৰ্ণ নেযায়। ব্যায়ামৰপৰা যে আহাৰ জীৰ্ণ যায় এনে নহয় কিন্তু তাৰ দ্বাৰাই শৰীৰৰ তেজ চলাচল হৈ শৰীৰৰ মাংসপেশীবিলাক সবল হয়, শৰীৰো নিৰোগী হৈ থাকে। আহাৰৰ কথা উল্লেখ কৰি টোপনি ব্যায়াম খোৱাৰ সময় ইত্যাদি কথা কোৱাৰ উদ্দেশ্য এই যে আহাৰ পাকস্থলীত বহুপৰ অজীৰ্ণ হৈ থাকিলে পৰিপাক শক্তি ক্ৰমে দুৰ্ব্বল হয়; তাৰ দ্বাৰাই অজীৰ্ণ ৰোগে ঠাই পাই গোটেই জীৱনকে ধ্বংস কৰে। আহাৰ সহজে জীৰ্ণ যাবলৈ আৰু এটা ডাঙৰ লগতীয়াল কাম আছে। ভাত খাওঁতে কিম্বা আন আহাৰ কৰোতেও আহাৰ্য্য বস্তুবিলাক খুব লাহে লাহে ভালকৈ চোবাই পিঠা যেনকৈ গিলা উচিত। এই দৰে খাওতে এটা লালৰীজৰ দৰে বস্তু ওলাই সি পৰিপাক শক্তি অতি বৃদ্ধি কৰে। এই নিয়মটি গৰুৱে ঘাঁহ পাগোলাৰলৈ চালেই ঠিক কৰিব পাৰি।

এইবিলাক নিয়ম অনেকে জানে আৰু অনেক ঠাইত অনেক কিতাপত আছে। আৰু এইকিটা আহাৰ্য্যৰ সাধাৰণ নিয়ম। কিন্তু কি কি বস্তু আহাৰৰ উপযোগী তাক চমুকৈ কবলৈ আগ বাঢ়িলোঁ। এই বিনিতে কৈ থওঁ আমি ক্ৰমাৎ বুঢ়াবোৰতকৈ অকামিলা হৈ আহিছোঁ। আৰু আগৰ বুঢ়াবোৰে যিমান আহাৰ কৰিছিল তাৰ চতুৰ্থাংশ আহাৰো আজিকালি আমি জীৰ্ণ নিয়াব নোৱাৰোঁ। ইয়াৰ অৱশ্যে নিশ্চয় এটি ৰহস্য আছে।

আন দেশৰ কথা নকওঁ, আমাৰ দেশত পূৰ্ব্বে ৰোগতত্ত্ববিদ বেজ কবিৰাজ ৰসায়নবিদ্ নিচেই কম আছিল। যিকেইজন আছিল সেইকেইজন ৰাজঘৰত আৰু ৰাজকীয় ডাঙৰীয়াসকলৰহে কামত আহিছিল. সাধাৰণ গাৱঁলীয়া



মানুহৰ ভিতৰত এই বেজৰ পৰিচয় কম। এইবিলাকৰ ভিতৰত একোজনী কুটুনী কেওঁ-কিছু নাইকিয়া বুঢ়ী আছিল, সেইবিলাকেই বহুত ৰোগত ঔষধৰ ব্যৱস্থা কৰিছিল। তাত বাজেও একোএকোজন বেজ আছিল সাধাৰণ গছপাত গছৰ শিপা ছাল প্ৰভৃতিৰ ঔষধ আৰু মন্ত্ৰ আদিৰে চিকিৎসা কৰি বহুত ৰোগী আৰোগ্য কৰিছিল। এই বিধ চিকিৎসা বৰ ফলপ্ৰদ যে আছিল, কোৱা বাহুল্য মাত্ৰ।

কিন্তু সাধাৰণ ৰোগৰ ব্যৱস্থা প্ৰত্যেক ঘৰৰ গৃহস্থ গৃহস্থনীয়েই কৰিছিল। দৈনিক শৰীৰৰ অৱস্থানুযায়ী আহাৰৰ প্ৰতিবিধান কৰিছিল। আজি পানী লাগিছে; শোকোতা বা তিতাফুল ৰান্ধিবৰ কাৰণে আৰু নিমপাত ভাজিবলৈ ৰান্ধনীক আদেশ কৰা হয়। সেইদৰেই আগৰ দিনীয়া আহাৰৰ কথা চমুকৈ তলত দিলোঁ :—

চাপৈটেঙাৰ জোল :—আম নিবাৰক, কোষ্ঠ পৰিষ্কাৰক।

মাটিকাদুৰী জোল :—পুৰণি নেমুটেঙা বা পুৰণি কুঁজীঠেকেৰা দিয়া।

এই জোল চেঁচা, বায়ুপিত্ত ৰোগৰ পথ্য। শিলিখাৰ জোল :—কোষ্ঠ পৰিষ্কাৰক, অজীৰ্ণ নাশক।

ঢেকিয়াৰ জোল :—চেচা, বায়ুত উপকাৰী।

অমিতাৰ খাৰ :—কোষ্ঠ পৰিষ্কাৰক, অৰ্শঘ্ন, প্লীহানাশক।

শোকোতাৰ খাৰ :—পানী-লগাৰ উপকাৰী, ক্ৰিমিনাশক, ইত্যাদি।

* তিতাফুলৰ খাৰ :—সেই।

বৰ কচুৰ খাৰ :—শোথ নিবাৰক, মূত্ৰ পৰিষ্কাৰক, মূত্ৰ বৰ্দ্ধক।

---

* ভাত-তিতা, ভেকুৰী-গুটি, ইত্যাদি বস্তুও কফৰ উপকাৰী। খাৰ-খোৱা অসমীয়া বুলি শ্ৰীযুক্ত কৃপাবৰে গালিকে পাৰিছিল যদিও তথাপি নকৈ নোৱাৰি, খাৰৰ গাত জীৰ্ণ শক্তি অধিক আৰু বাতিক ৰোগবো উপকাৰী। মছলা জিৰা মিথি তেজপাত প্ৰভৃতি নাছিল বুলিব পাৰি কিন্তু হালধি নিশ্চয় আছিল। আৰু জনিগুটি বৰ আদৰৰ বস্তু। আৰু কোনো মানুহৰ কথাৰপৰা জীৰা থকাৰো প্ৰমাণ পোৱা যায়—"ইঃ এনে জীৰা জনি দি পঞ্চ ব্যঞ্জনগন ৰান্ধিছে তাকে এতে পৰ খোৱাই নাই এখোন। পঞ্চ ব্যঞ্জনৰপৰাও বুজিব পাৰি সম্ভবতঃ পাচখন মান আঞ্জা ৰন্ধা হৈছিল।

দহি কচুৰ খাৰ :—খাবলৈ ৰুচিকৰ, পাচক।

পছলাৰ খাৰ :—(জলা বেছিকৈ দিয়া) পেট ভোৰ-ভোৰ কৰালৈ উপকাৰী।

নিম-পাতৰ ভজা :—নিমৰ গুণ সকলোৱে জানে।

কোৰোলাগতি-পাতৰ ভজা :—ক্ৰিমি আৰু পিত্তৰ উপকাৰী।

চাজানা-পাতৰ ভজা :—পানী-লগালৈ ভাল।

তিতা কেৰোলাৰ ভজা :—মুখ ৰুচিকৰ, ক্ৰিমি পিত্তলৈ ভাল।

মানিমুনি, গঙ্গামূলা, ভূতমূলা, কনাইশিমলা, বনসৎ, পনমুৰা, পখাৰৰ বিহলঙ্গনীৰ আগ, শুকলতি, আপেচিতা, বনজালুক, দোৰোণৰ আগ প্ৰভৃতিৰ ভজা অথবা খৰলিকৈ বান্ধি খায়। ইয়াৰ প্ৰত্যেক বিধেই যে একোটা মহৌষধ তাক সকলোৱে জানে। এই এটাই বস্তু গোট খালে যে কেনে এটা শৰীৰৰ উপকাৰী আহাৰ্য্য হব তাক ভাবি চাব লগীয়া।

পানী-খুটৰা, ভেদাইলতা, প্ৰভৃতিও বেলেগে পাটত দি খাইছিল; পানী-খুটৰা, মনোৱা, পনমুৰা, শীত-ভেজালী প্ৰভৃতিৰ গুণ নাই কোনেও নোবোলে।

ওল কচু :—তাক চাটনিকৈ খায়, ভাতত দি লোণ তেল সানি খায় কিম্বা পানীত সিজাই হলেও গাখীৰ গুৰৰ লগত খায়। ই যে ভয়ানক অৰ্শঘ্ন তাক কোৱা বাহুল্য মাত্ৰ।

সদাই যে শাকক খাব লাগে বা শাক পাচলীকে খাইছিল এই বুলি কব নোৱাৰোঁ। মাটিমাহ. মগুমাহ, কলামাহ, এই তিনি বিধ মাহৰ ভিতৰত খোৱা হৈছিল। মাছ প্ৰায় জীয়া মাছ হে খাইছিল; তৎক্ষণাৎ মাৰি অনা হৈছিল। আজিকালিৰ দৰে কোপ্তা, কাটলেট "বনাই খাব" নেজানিছিল, খালি মাত্ৰ টেঙ্গা দি খোৱা বেছি আছিল। ৰৌ, বাও, বৰালি, চিতল, কচ, আৰি, ভেউ এইবোৰ মাছো খাইছিল। বিষয়া ডাঙৰীয়া সম্প্ৰদায়ে পাইকৰ বিলতিয়াৰপৰাই পাইছিল। অন্যান্য সম্প্ৰদায়ে নিজে বহ গঁয়া মিলি মাৰি খাইছিল। তিন দিন চাৰি দিনীয়াকৈ মৰা মাছ খাব নেলাগিছিল। মাংসৰ ভিতৰত হাঁহ বেছিকৈ খোৱা হৈছিল; নচেৎ "দক্ষিণে হাঁহ, পশ্চিমে ধাহ" এই কথাটি নেথাকিলেহেঁতেন। তাত বাজেও অন্য মাংসও খোৱা



হৈছিল। কপৌ ডবিক প্ৰভৃতি সহজে খোৱা আছিল। মহাপুৰুষীয়া ধৰ্ম্মৰ উন্নতিৰ লগে ২ মাংস ক্ৰমাৎ বৰ্জ্জনীয় হৈ আহিছে।

জলপানৰ নিয়ম লিখা ক্ষুদ্ৰ প্ৰবন্ধৰ দ্বাৰাই অসম্ভৱ। কিন্তু আখৈ, চিৰা, এই দুটা উল্লেখ যোগ্য। আখৈ চিৰা অনেক ৰোগীৰো পথ্য বুলি বেজসকলে কয়।

ফলাহাৰো যথেষ্ট আছিল। পকা বেল, কিম্বা কেচা বেল পুৰি গাখীৰ গুৰ দি খোৱা হয়। পকা অমিতা কোনোৱে শুদাই খায়, অনেকে গাখীৰ গুৰ দিও খায়। মোৱাআলু পোৰা, গৰীয়াআলু পোৰা, কাঠআলু পোৰা ইত্যাদি অনেক ফল মূলাদিৰ প্ৰচলন আছিল।

গাখীৰ বৰ আদৰৰ বস্তু আছিল, এৰাঁ গাখীৰ তপতাই খোৱা নিয়ম ডাঙৰীয়া সম্প্ৰদায়ত থাকিলেও আন সম্প্ৰদায়ত নাই। দৈ গাখীৰ খোৱা বৰ বেছি। প্ৰত্যেক আগৰ দিনীয়া বুঢ়াবিলাকৰ জুই-শালৰ ওপৰত একোতা টেকেলি কিম্বা দলাত গাখীৰ থোৱা নিয়ম এতিয়াও আছে। এতিয়াও বুঢ়াবিলাকে লৰা ছোৱালীবিলাকক বিদ্ৰূপ ভাবেৰে কয় "থমা দৈ শিকিয়াত মোৰ বোপাইলৈ (বা আইলৈ) কান্দিব লাগিছে।" "অমুকৰ জীয়েকৰ চিৰা কল ভেকুৰিছে" ইত্যাদি। চেপা গাখীৰ নাই নহয় কিন্তু অসমীয়া কলহৰ মুখৰ মহৰ গাখীৰ চেপা গাখীৰৰ আপোককাক। সেই অংশৰ অধিকাৰী মাননীয় কিম্বা বৰ মৰমৰ মানুহ হে। এতিয়াও কথাতে কয় "এনে সোন্দোৰা থখখন যে মুখৰ গাখীৰ হে খায়, অইন গাখীৰ গাখীৰেই নহয়"। চেনি কিমান আছিল কব নোৱাৰোঁ। মোৰ বিশ্বাস নাই। কিন্তু গুৰকে এনে যতনেৰে কুটত তুলি চাক কৰিছিল যে সি সাধাৰণ আজিকালিৰ বাবু সম্প্ৰদায়ৰ খোৱা চেনিতকৈ নিকৃষ্ট নহয়। এতিয়াও মই নিজে সিদিনা ধৰিয়াচুকৰ নাম-ঘৰত থাকোতে এজন মানুহে প্ৰায় ১ মোন গুৰ "বোজত দিছিল"। যদিও মাথ মহীয়া পুৰণি হৈছিল, তত্ৰাচ তাত পুৰণি গোন্ধ ইত্যাদি নাছিল আৰু একেবাৰে হৈ নিদিলে কোনেও কব নোৱাৰে সি যে চেনি নহয়। মই সোধাত উত্তৰ পালোঁ "আপোনাসকলা নিচিনা লোকক সাধাৰণ গুৰ দিবলৈ ভাল নেপাওঁ; সেই কাৰণে দুকলহ গুৰ এই কুটত ৰাখিছিলোঁ। খোইতে বস্তু নকৰে কি কৰিম!" এইবিলাক চয় কথাতে বোধকৰোঁ বুজিব পাৰি, পুৰণি বুঢ়াকলীয়া মানুহ কিয় বেছি

বলী আৰু দীৰ্ঘায়ু আছিল আৰু বেমাৰৰ কাৰণে সদাই ডাক্তাৰক visit দিব লগা নাছিল।

পুৰণি কালত অসমীয়াৰ আলমাৰি Almirah, কিম্বা Safe নাছিল আৰু Homeopathic medicine chest, phenacitin, quinine pill, Hollway's piill, Laxative, Lazina, Eno's Fruitsalt, Vibrona, Alters Cordial প্ৰভৃতি ঔষধ ঘৰত নাছিল। আছিল কি? একোটা খঁৰা বা খাং। তাত থাকে কি? লেটাগুটি মণিচাল, গঁৰৰ মঙ্গহ, কেটেলাপহুৰ ভুকু, বৰাদাঁত, কদ্ৰাক্ষ, বগা লাটুমণি, পুৰণি সিলিখা, পুৰণি আমলখি, বেত্‌পাপৰা, পুৰণি আমকুলী, নেমুটেঙ্গাৰ বাকলি, সুমথিৰা টেঙ্গাৰ বাকলি, বেলশুটি, গমাদিগুট, ভোমৰাগুটি, ডালিমছাল, পলাশৰ গুটি, মৰাণআদা, ইত্যাদি পইচা নলগা বস্তু; আৰু বাদীত সকলো বস্তুকেই বিচাৰি আনি কই লয়। আকৈলতা, আগেচিতা, বনসং, পচতীয়া, মহানিম, বাহক প্ৰভৃতি অনেক দৰবগছ বোৱা হছিল।

কিন্তু বৰ আচৰিত কথা এই যে আজিকালি যুবকবৃন্দই Sanatogen, Vital, Rejinas, Danjin, Mauola, Horlicks Malted Milk, Mellin's food, Milomalted milk, Elixer Compoundপ্ৰভৃতি কত ৰকমৰ ঔষধ আহাৰ ব্যৱহাৰ কৰা স্বত্বেও যে ইজনে বোলে মোৰ Indigestion, সিজনে বোলে Constipation, সিজনে বোলে Diarrhoea সিজনে বোলে Vertigo, এই দৰেই সদায় মনোবেদনা আঁতৰাব নোৱাৰে। অৱশ্যে ইয়াৰ কিবা গোটাদেক গূঢ়ৰহস্য আছে। নচেৎ এনে অৱস্থা নহল হেতেন। আৰু এটা মহৎ কুঅভ্যাসে অসমীয়া যুবকসকলক ক্ৰমে গিলি পেলাইছে। ফলতঃ Nervesystemৰ ক্ৰিয়া একেবাৰে অনিয়মীত হৈ Nervous debilityলৈ পৰিণত হৈ নানা উপসৰ্গীক ৰোগ উৎপন্ন কৰি একেবাৰে মানুহক অকালতে ঘুনে ধৰিছে। তদ্দ্বাৰাই থালি কোনো বিলাকৰ ছালখন মাত্ৰ ঢেপ ঢেপ কৰে ঢেপা হৈ আছে, কাৰো সিও ফেৰা বিবৰ্ণ পৰি গৈছে। এই প্ৰবন্ধত ইয়াৰ আলোচনা কৰিবৰ সকাম নাই। বৰ্ত্তমান আহাৰ্য্যৰ বিষয়ে আলোচনা কৰিবলৈ ওলালোঁ। এই আলোচনা অনেক বিজ্ঞ চিকিৎসকসকলে লিখা চিকিৎসা পুথি ও Dr K. C. Bose



M. Bৰ Health and Happiness, Paresh Nath Kabibhuson's চিকিৎস সম্মিলনী প্ৰভৃতি কাকতৰ, আহাৰ্য্যৰ ওপৰত কোৱা মতামত সকলোবিলাকৰ সাৰাংশ গুটিদিয়েক কথা তুলি দিলোঁ।

পুৰাণবিলাক সঁচা হক কিম্বা মিছা হক, কিন্তু আহাৰৰ বিষয়ে বা নীতি সদাচাৰৰ বিষয়ে যিবোৰ কথা লিখা তাত আছে সকলোবোৰেই স্বাস্থ্যৰ উন্নতিকাৰক বুলি স্বীকাৰ নকৰি নোৱাৰি।

চন্দ্ৰ সূৰ্য্যৰ লগত প্ৰাণী আৰু উদ্ভিদৰ যি সম্বন্ধ আছে সি বৈজ্ঞানিক পণ্ডিতবো সন্মত। সকলো ঋতুতে সকলো বস্তু একে ভাবে নেথাকে, তাকো কোৱা বাহুল্য মাত্ৰ। লাইশাক জেঠ মাহতো বলে নিশ্চয় হয় কিন্তু আঘোণ পুহত তাৰ যি সোৱাদ পায় তাৰ পৰিবৰ্ত্তে জেঠত সম্পূৰ্ণ তিতা হয়। এনেমাদি ক্ৰমে দেখিবলৈ গলে ঋতু অনুযায়ী সকলো বস্তুৰ বিভিন্ন গুণ উৎপন্ন হয়। এতেকে পুৰাণত লিখা—প্ৰতিপদত কোমোৰা ইত্যাদি, শৰণত কলমৌ, বক পঞ্চকত বা কাতি মাহত মাছ, ৰবিবাৰে মচুৰ মাহ, ইত্যাদি কথাবিলাক যে স্বাস্থ্যৰক্ষাৰ সহায় নহয় এই কথা মুই কৰিব নোৱাৰি। আৰু আউসীত লঘোন দিয়া প্ৰভৃতি যে উপকাৰী তাকো গা ডাঠি কব পাৰি। মাজতে ৮ বছৰ মানৰ পূৰ্ব্বে মোৰ ডোমজ্বৰ পালজ্বৰ আদি হৈ ৪ বছৰ নেৰানেপেৰাকৈ নানা ৰকমৰ ঔষধাদি ব্যৱহাৰ কৰিও কোনো ফল নেপালোঁ। Dispensaryৰ ডাক্তাৰেও বহুবাৰ ঔষধ দি ব্যৱস্থা কৰি কোনো গুণ নোহোৱাত মোক অমাবাস্যাত পূৰ্ণিমাত ৰাত্ৰি লঘোন দিবলৈ উপদেশ দিছিল। সেই উপদেশৰ দ্বাৰাই মোৰ জ্বৰৰ প্ৰাধৰ্য্য অনেক কমিল। এই নিয়মবোৰ স্বাস্থ্যৰ উপকাৰী মুবুলি নোৱাৰি।

আৰু গুটিদেক পুৰাণোক্ত আৰু প্ৰাচীন হিন্দুৰ ভোজন প্ৰণালী যে আমাৰ কিমান উপযোগী তাক নিজেই ভাবি চাওকচোন। মই ক'লে কব পাৰে—ইঃ এইজন মহাশাস্ত্ৰজ্ঞ! ইদ্যাদি—

অনাৰোগ্যমনায়ুষ্য মস্বৰ্গ্যকাতিভোজনম্

অপুণ্য লোক বিদ্বিষ্টং তস্মাওৎ পৰিবৰ্জ্জয়েৎ।

এই শ্লোকৰ দ্বাৰাই তেওঁবিলাকে ভোজন প্ৰণালী যে স্বাস্থ্য উন্নতিৰ কাৰনেই নিৰ্ণয় কৰা নাই এনে বুলিব নোৱাৰি—

প্ৰাগদ্ৰবং পুৰুষোৎশ্নণ্ বৈ মধ্যেচ কঠিনানিতু
পুনৰন্তে দ্ৰদাশীতু বলাৰোগ্য ন মুঞ্চতি।
অশ্নীয়াত্তন্মনা ভূত্বা পূৰ্ব্বন্তু মধুৰং ৰসম
লৱনাম্লৌ তথামধ্যে কটুতিক্তাদিকং তথা।

কোনো পণ্ডিতৰ মতে অৱশ্যে ওলোটা ভাবেও হয়। তথাপি ৰীতিমত কটু লৱণ ইত্যাদি মতো আছে অৰ্থাৎ ১ম তিতা। তাৰ পাছত জলা, তাৰ পাছত লুণীয়া, তাৰপাছত টেঙ্গা, তাৰ পাছত গাখীৰ বা ঘিউ ব্যৱহৃত হয়। এই কথাটিত অৱশ্যে সুন্দৰৰ ভাব আছে। তিতা বস্তুৱে পিত্ত দমন কৰি মৰিচ আৰু লোণেৰে জীৰ্ণশক্তি বঢ়াই টেঙ্গা যোগ দি মৰিচ লোণক সাম্য অৱস্থাত ৰাখি মধুৰ ৰসেৰে আত্ম তৃপ্তি সাধন কৰা একো বেয়া কথা নহয়।

আৰু এটা কথা, সন্তোষ মনেৰে আহাৰ কৰিলে আহাৰ স্বাস্থ্যৰ কাৰণে যিমান উপকাৰী, অসন্তোষ মনেৰে খোৱা সিমান অপকাৰী, ই প্ৰতীচ্য বিজ্ঞান সন্মত।

প্ৰাচ্যমতে কয়ঃ—পূজয়েদশনং নিত্যং দদ্যাচ্চৈত দকুৎসয়ন।
দৃষ্টাহৃষ্যেৎ প্ৰসীদেচ্চ প্ৰতিনন্দেচ্চ শৰ্ব্বশঃ।

আৰু দুটামান আহাৰ্য্য দোষ হিন্দুশাস্ত্ৰত কয়। কিন্তু ইয়াত সেইবোৰ ঠাই দিবৰ মন থকাতো বাহুল্য ভয়তহে এৰিলোঁ। আজৰি পালে চেগ বুজি প্ৰকাশ কৰিবৰ মন আছে। এটা মাত্ৰ কওঁ।

লশুণং গৃঞ্জনঞ্চৈৱ পলাণ্ডুং কৱকানি চ।
অভক্ষ্যাণি দ্বিজাতীনাং অমেধ্য প্ৰভৱানি চ॥

দ্বিতীয়তঃ—আহাৰৰ নিয়মত চকু নৰখা। আহাৰ খোৱাৰ কথা পূৰ্ব্বে কৈ অহা হৈছে। আৰু জীণ হোৱাৰ কথা কোৱা হৈছে। কিন্তু এতিয়া প্ৰায় বাঙ্গালিৰ আহাৰ ৰক্ষা বেলি হয়। গতিকে ১০মান বজাত হে খাবৰ হয় গৈ। হাকিমসকলে ১১ বজাতে Office পাবগৈ লাগে। সেই কাৰণে থকৰ মকৰ কৈ দুগৰাহ মান খপিয়াই-জপিয়াই খাই নিধাতু খাই Officer লৰ দিব লাগে। আহাৰ নিয়মিতৰূপে খোৱাৰ পাছতো অন্ততঃ ৪৮ মিনিট লাহে লাহে ইখোজ সিখোজ কৰি ফুৰাই-শতাই কাৰ্য্যত লাগিব লাগে। ততাভুকুতাকৈ সোপোপ সোপোপ দুটামান গলাধঃকৰণ কৰি পৰিশ্ৰম কৰাও



যে পিত্ত প্ৰকোপ হয় তাক কোনেও নুই নকৰে। তৃতীয়তঃ পুৱাতে চাহ খোৱা। পুৱাতে চাহ খোৱাৰ অপকাৰিতা নিশ্চয় আছে আৰু তাৰ লগত বাহী ৰুটি বা মিঠাই, Buiscit প্ৰভৃতিৰে খাই দিলে দুপৰৰ আহাৰত সিমান স্পৃহা নথাকে, আৰু ভোকৰো অৱস্থা ক্ৰমে কমি যায়; এই কাৰণেই "ভাতৰ আঙ্গা ভোক" গুচি নানা তৰহৰ জুটি ধৰা বুদ্ধি লাগোৱা লগা হয় আৰু এই অতি মিষ্ট বহুত মছলা দিয়া ব্যঞ্জনবোৰে অলপমান খাওঁতেই ওকোল-মোকোল কৰি ভোকৰ উপযুক্ত আহাৰ কৰি লৈ অক্ষম কৰে। ক্ৰমে আহাৰ কমি আহে। ৩০ বছৰৰ পূৰ্ব্বে জন্ম হোৱা বিলাকৰ ৰাতিপুৱাতে বাহী পান্টাতে খোৱা আহাৰ নাছিল। অকল আসামত নহয় গোটেই ভাৰতে নাছিল বুলিলেও বেছি কোৱা নহয়।

চতুৰ্থতঃ—জলবায়ু যোৰহাট গোলাঘাটৰো অমিল আছে। যিহক ওচৰৰ বোৰত অৱশ্যে সিমান অমিল নহয়। এদিন Mr. T, P. Chalihaৰ বিলাত প্ৰবন্ধত পদিনা গছৰ বিবৰণ পাইছিলোঁ। যদিও বস্তু একে, তথাপি অনেক প্ৰভেদ পোৱা যায়। বোম্বাইৰ আমে, মালদহৰ আমে আসামৰ আমে একে নহয়। Africa দেশৰ পশুপক্ষীবিলাক আমাৰ লগত নিমিলে। Shillongৰ আহাৰ আমাৰ উপযোগী নহয়। আমাৰ আহাৰো সেইদৰে Shillongৰ উপযোগী নহয়। আহিনত আমি ৰাতি কাপোৰ নোহোৱাকৈ থাকিব পাৰোঁ, Shillongত কাপোৰ লাগেই। আৰু জলবায়ুৰপৰা যে স্থান অনুসৰি উদ্ভিদৰো প্ৰভেদ আছে এনে নহয় জীৱজন্তুৰো প্ৰভেদ আছে। আন কি ইংৰাজবিলাকৰ আৰু আমাৰ চেহেৰাৰ কিমান পাৰ্থক্য। স্থানভেদে আহাৰ ৰীতি নীতিৰ নিশ্চয় প্ৰভেদ আছে। ভাৰতবৰ্ষ যেনে গৰম দেশ তেনে গৰম দেশত ঋষি ব্যৱস্থিত প্ৰাতঃস্নান যে এটা মহা স্বাস্থ্যৰ উপকাৰী কাৰ্য্য বুলি, আপনা সকলে "এনে নমো পাৰিজাত, ভোঁ বামুণটো ওলাইছে প্ৰভৃতি" গালি দিলেও নকৈ নোৱাৰোঁ। সেইদৰেই বিদেশী ৰীতি নীতি আহাৰ বিহাৰ প্ৰণালী আমাৰ দেশৰ অনুপযোগী।

শাওণ মহীয়া বদত মাটিকাঁদুৰীৰ জোল আমাৰ কাৰণে বৰ উপকাৰী। কিন্তু ইংলণ্ডত সি কোনো উপকাৰত নাহে। সম্ভৱতঃ সেই শাকৰ উৎপন্নও

তাত নাই। টেঙ্গা দিয়া আঞ্জাত মৰিচ সানি খোৱা, অৰহৰ মাহৰ আঞ্জাৰ লগত চাটনী কিম্বা আচাৰ, কিম্বা কেচা নেমুকে এচেপা মাৰি খাবলৈ প্ৰায় ভাগেই এৰা নাই, তদ্দ্বাৰাই এইটো বুজিব লাগে গৰম হলে চেচা কৰা, চেচা হলে গৰম কৰা এইটো নিয়ম পৰমেশ্বৰৰ কৃত, অকল মনুষ্য কৃত নহয়। জ্বৰ নেঘামিলে Foot Bath আদি দি ঘমোৱা হয়। ৰবকৈ ঘামি থাকিলে মূৰত চেঁচাপানী দিয়া, চিৰ্কা দিয়া ই প্ৰতীচ্য চিকিৎসাবিজ্ঞান সম্মত। এইবিলাকৰ ওপৰতে নিৰ্ভৰ কৰি মই কব খোজো, আসামত জলবায়ু অনুযায়ী যি উদ্ভিদ উৎপন্ন হয় সেই দেশৰ জীৱজন্তুৰ কাৰণে সেই উদ্ভিদাদি আহাৰেই হে স্বাস্থ্যজনক। আসাম যে গৰম দেশ ই নিশ্চয় সেই দেশত যে চেচা বস্তু উপকাৰী কোৱা বাহুল্য। কাজেকাজেই মই কব খোজোঁ, বিলাতী ফেচনৰ ৰন্ধন প্ৰণালী, আহাৰ প্ৰণালী, স্নানাদি প্ৰণালী, বিহাৰাদি প্ৰণালী কেতিয়াও অসমীয়া স্বাস্থ্যৰ উপযোগী নহয় অসমীয়া জলবায়ুৰ দ্বাৰা পৰিপোষিত Tissue বিলাক বিলাতী জল বায়ুৰ উপযোগী কিম্বা Afganisthanর Pathanবিলাকৰ উপযোগী আহাৰৰ দ্বাৰাই কেতিয়াও স্বাভাৱিক ক্ৰিয়াত নেথাকে। সেই বুলি দিনৌ মৰাপাক মেদেলুৱা খাবলৈকো কোৱা নাই, উঠি অহা জ্বৰত পুপুৰীত জোবোৰা মাৰি পঁইতা ভাতত গৰাহ লবলৈ বা মোকোৰা মৰিচ ভাজি জেবিয়া লোণেৰে দুটা চাউল চোবাবলৈ কোৱা নাই বা বাৰ পাচি নইলা ফটা চিটা সাত জিপনী মৰা ফটা কঠা খনচেৰেকেৰে গুম মাৰি দিনতে-কোনেও কাকো নেদেখা চোৰ-চাওত সোমাই শুই থাকিবলৈকো কোৱা নাই, বা মানুহটোৰ মূৰটো ককালত লগাই চাপৰি সোমাই যাবপৰা ঘৰটোতে সোমাই থাকিবলৈকো কোৱা নাই, কিম্বা ধূলে এসেৰ মান বোকা ওলোৱা চুৰীয়া কাপোৰবোৰ উধামধাকৈ তিয়াই ফুৰিবলৈ কোৱা নাই, কিম্বা বৌমাছৰ মূৰত বা মাংসত ঔটেঙ্গা বৰ-ঠেকেৰা দি টেঙা শাক, কিম্বা কলাখাৰৰ খাৰণি দি মণ্ডহৰ খাৰ খাবলৈকো কোৱা নাই।

পঞ্চমতঃ—সুৰাপান। সুৰাপানৰদ্বাৰাই শৰীৰৰ কি মহৎ অনিষ্ট ঘটে তাক কোৱা বাহুল্য। মই কোৱা কথা বুলি দলিয়াই পেলাব পাৰে বা তই গাৱঁলীয়া অসভ্য বামুণ,—"বোলে বাপু মদ খাবা নে?—শ্ৰীবিষ্ণু ক'ত পাবা।" তই ভাতকে মোকোলাব নোৱাৰ মদ কব খাবি? এই বুলিও



কব পাৰে। তত্ৰাচ J. Andrew Taylor M. Sc. চাহাবৰ মদৰ বিষয়ে কোৱা প্ৰবন্ধটিৰ সাৰাংশ তুলি দিলোঁ।

১। মদ এটা খোৱা বস্তু নহয়, ই এটা দৰৱ হে মাথোন।

২। অদৰকাৰত খালে ই এটা বিলাসৰ বস্তু; ইয়াক খালে অতি পৰিমিতকৈ খাব লাগে, বেছিকৈ খালে বিপদ আছে।

৩। মদ খাবলৈ শিকা বৰ সহজ কিন্তু মদ এৰা বৰ টান।

৪। যদি এজন মানুহে মদ খায় তেনে হলে সি নিজেতো বিপদত পৰেই ওচৰচুবুৰীয়াৰো অনিষ্ট কৰে।

৫। যদি সি বেছি দিনলৈ মদ খায়, তেনেহলে সি অকামিলা হয়, আৰু সমাজৰ এটা গলগ্ৰহ হয়।

এই খিনিতে নকৈ নোৱাৰোঁ—যাৰ শ্ৰেণীভুক্ত হবলৈ যাব আহি নকল কৰি মদ খাবলৈ শিকা হৈছিল সেইসকলৰ প্ৰজ্ঞাৱন্ত দূৰৈথাকক ৰজাৰ ঘৰতে মদৰ ব্যৱহাৰ আজিকালি উঠি গৈছে।

চিকিৎসকৰ অভিমত ক্ষুদ্ৰ প্ৰবন্ধত উল্লেখ কৰিব নোৱাৰি; মোটতে ইয়াকে লিখা হল—মদদপৰা মানুহে জীৱনকে নষ্ট কৰিব লগাত পৰে। কেৱাজনো মদৰপৰা হোৱা প্ৰলয় মই হে নেলাগে অনেকে দেখিছে।

তামাখু—এই এটি জীৱনী শক্তি নাশক বিষাক্ত দ্ৰব্য। Andrew Taylor চাহাবে কি কয় চাওক:—তামাখুত এটা বিষাক্ত বস্তু আছে * * এই বিষাক্ত বস্তুৰ নাম নিকটিন ইয়াৰ দ্বাৰাই শৰীৰৰ নানা ৰকম অনিষ্ট হয়। * * * । তাৰ পেটত বিষ হয় আৰু আভোক হয়, তাৰ খাবলৈ ইচ্ছা নহয়, যিখিনিকে খায় সিও পেটৰ বিষহে কৰায় কাৰণ ধপাতত থকা নিকটিন বিষে হজমি-শক্তি নষ্ট কৰি দিয়ে, মূঠৰ ওপৰত কবলৈ গলে সি অজীৰ্ণ ৰোগত ভোগে। ধপাতে স্নায়ুবিলাকো দুৰ্ব্বল কৰে। সেই দৰে ভাং, কানি ইত্যাদি সকলো বস্তুৰ ব্যৱহাৰেই শৰীৰৰ অনিষ্টকাৰক। কিন্তু কানি গ্ৰহণী ৰোগত ব্যৱহৃত হয় আৰু ভাঙো পুৰণি গ্ৰহণীলৈ উপকাৰী। ঔষধ স্বৰূপে শোধিত কৰি ঔষধৰ লগতহে ব্যৱহাৰ কৰিলে উপকাৰী। চিলিমত লগাই ফাওঁ ফাওঁ কৰে খোৱা উৰাই বম বম বুলি ৺শিৱৰ নামত কলঙ্ক দি চকু ৰঙ্গা কৰি ই ৰবত এচিলিম সি ৰবত এচিলিমকৈ হুপি ফুৰা উচিত নহয়। তাৰ দ্বাৰাই

মান অপমান সকলোৰে বশীভূত হব লাগে, পইচা কেইটিও অকাৰণত ভাগে, আন পক্ষে শৰীৰো নষ্ট হয়। হেজাৰ কক, কানীয়া ভকুৱা মানুহ অল্পাহাৰী আৰু লুটুৰা।

ষষ্ঠত:-অনেক বিদেশী বহু দিনীয়া পৰি থকা টিনত থকা বস্তুৰ ব্যৱহাৰ:—টিনৰ পাত্ৰত থকা বস্তুবোৰ যে Tinৰ Chemical Actionৰ দ্বাৰাই দূষিত হয় তাক নকৈ নোৱাৰি। তাৰ প্ৰমাণ দেখাতে পায়। Dr. N. K Boseৰ কথা দুটামান তলত দিলো।—

"The following extract from a lecture delivered by the Professor of Chemistry in the North Western University Illinois U. S. A. will give an idea about the' skin and the predigested food of the market :—Beware of the predigested antidysheptic creating breakfast foods, etc. * * No other product is so morbidly exploited as breakfast foods. The view that they have tremendous energy giving food powers is as wrong as that they are made out of corn stalks and scraps. The truth lies betwee these views. The ready to eat cerials are not so valuable from a phisiological stand point as the old fashioned home cooked breakfast foods. The nutrients in them are not so easily assimilated. The claim that a food is predigested is fundamentally wrong. The manufacturers lay that claim to the fact that the food are malted but a small amount of starch is ever turned into sugar in malted food."

সপ্তমত:—নানা তৰহৰ বজাৰত অনেক অপৰিচিত মানুহৰ দ্বাৰাই তৈয়াৰ কৰা মিঠাই। এইবিলাকৰ ভিতৰত ময়দাৰ মিঠাই বেগেতে বেথা হয়; বাহী হলে অপকাৰী হয়। ইত্যাদি বহু দোষ আছে। আৰু গোটা-দেক দোষ আছে সেইবোৰ উল্লেখ কৰিবলৈ হলে প্ৰকাণ্ড আকাৰ কিতাপ এটা হবগৈ। আৰু এইবোৰ যে কোনো কাৰ্য্যত লাগিব তাৰো আশা নাই হে। সম্ভবতঃ কোনো পাঠকৰ, এই প্ৰবন্ধ লিখাৰ কাৰণে আমি উপহাসৰ পাত্ৰ হে হব লাগিব। সেই কাৰণে সামৰিবৰ আগতে এটা কথা কৈ থওঁ যে এটা আমাৰ প্ৰধান দোষ যে ১১ বজাৰপৰা ৫ বজা-



লৈকে নানা বিষয়ৰ নানা কাৰ্য্যত লাগি থকা হয়। ঘৰলৈ আহি অলপ নিয়মীয়া আহাৰ কৰি খন্তেক বিশ্ৰাম লৈ অলপ পৰিশ্ৰম কৰা উচিত। কিন্তু আজিকালি দেখা যায় যে সেই সময়টি থওঁ তাচলৈ; ৭খনকে দিম নে, বঙ্গ পনকে খেলিম, চাহাবকে মাৰিম নে, ইত্যাদি ভাবি চিন্তি মগজুকণ পুনশ্চ দুৰ্ঘোৰ চিন্তাত পেলাওঁ। তদ্বাৰাই বিবিধ চিত্তবিভ্ৰম প্ৰভৃতি ৰোগে ঠাই পায়, শৰীৰৰ অনেক অনিষ্ট সাধন হয়। সামৰণিত ইয়াকে কওঁ যে সাধাৰণ নিত্য ব্যৱহাৰ্য্য বস্তুৰ গুণ দোষ, জীৰ্ণ সময় প্ৰভৃতি উল্লেখ কৰি এখনি তালিকা চল পালে প্ৰকাশ কৰিবৰ মন থাকিল

শ্ৰীইন্দ্ৰনাথ গোস্বামী।

---

## আমাৰ অৱস্থাৰ একাংশ।

বৰ্ত্তমানত অসমীয়া মুচলমানৰ ভিতৰত অসমীয়া সাহিত্যৰ চৰ্চ্চা আৰু প্ৰচলন নথকাত আমাৰ জাতীয় ইতিহাস গোটেইটো সাধাৰণৰ চকুৰ আগৰ পৰা আঁতৰি কোনোবা লোপ মৰা আন্ধাৰ দেশত আত্মগোপন কৰি ৰহি আছে। আনে জনা দূৰৈত থাওক,—আমি মুচলমানেই তাৰ একো গমকে নেপাওঁ। এইটো কিন্তু বৰ লাজৰ কথা!! আমাৰ ভিতৰৰ কিছুমান মতা মানুহে খাটাংখুটুং বিচাৰে যেই সেই এজনৰ চৰিত্ৰকে আদৰ্শ কৰি লৈ নাইবা নিজেই এজন আদৰ্শ (!) পুৰুষ হৈ খন্তেকীয়া জীৱনৰ দি দুই চাৰি দিন পাইছো—যেনে তেনে প্ৰকাৰে কটাই দিওঁ। কিন্তু আমাৰ এই চতুৰ্গুণ তিকতা সমাজৰ অৱস্থা হব কি? অৱশ্যে আমি কিছুমান বুৰিলোঁ। জহন্নামলৈ গলোঁ, সেই বুলি আমাৰ পাপত তেওঁলোককো সাঙুৰি পথভ্ৰষ্ট কৰাৰ আমাৰ অধিকাৰ কি? নকলেও হব যে একমাত্ৰ আমাৰ আহাম্মকীৰ পৰাই তেওঁলোকৰ আজি এই দুৰ্দ্দশা!! অসমীয়া মুচলমানে কোন কালে আশা কৰিব পাৰে যে তেওঁলোকৰ সুপুত্ৰ প্ৰসৱ হৈ জগতত নাম জলাই জাতিৰ মুখ উজ্জ্বল কৰিব? মাটিতেই যদি সাৰ নেপাকে তেন্তে হাজাৰ ফলৱন্ত গছৰেই গুটি হওক সি অলপ নহয় অলপো লেখা নহৈ নোৱাৰে ই ধ্ৰুৱ কথা।

আমি মতাসকলে এতিয়া সি শিক্ষা আৰু যিমান ফেৰা জ্ঞান পাইছোঁ যদি ইয়াৰ অলপবো অলপ তিৰুতা সমাজৰ ভিতৰত দান কৰিব নোৱাৰোঁ তেনে হলে আমি ভৱিষ্যত উন্নতিলৈ আশা কৰাই মিছা। বৰ্ত্তমানতো আমাৰ একো উন্নতিয়েই নাই, এই দৰে চলি গলে আৰু কি আশা কৰিব পাৰি? আমাৰ তিৰুতাৰ গৃহ-ধৰ্ম্ম আৰু গৃহ-কৰ্ম্ম কি—সিও এই কুৰি শতিকাৰ সভ্যতাৰ সোঁতত পৰি উটি বুৰি গৈছে। অসমীয়া মুচলমানৰ নিজ মাতৃভাষাত এনেকুৱা এখন কিতাপ নাই যিখনৰ সহায়েৰে মাকহঁতে নিজে নিজৰ ছোৱালীকিটীক ভাল শিক্ষা আৰু ধৰ্ম্ম-কৰ্ম্মৰ জ্ঞান দি ভৱিষ্যতলৈ সিহঁতৰ সংসাৰ একোখনিক আদৰ্শ সংসাৰ কৰি তোলে! এই এটি দোষ আৰু ভুলৰ বাবেই যে কিমান অসমীয়া মুচলমানৰ সোণৰ সংসাৰ ছাৰেখাৰে গৈছে ভুক্তভোগীৰ বাহিৰে তাক আৰু কোনে বুজিব? তেও জানো আমি কিবা গমি চাওঁ?—আমি যি ওপৰ চকুৱা সেই সদায় ওপৰ-চকুৱাহে! আমি নিজেই যদি আমাৰ প্ৰতিকাৰ কৰি নলওঁ, তেন্তে আৰু কোনে কৰি দিব?

বিনা তিৰুতাৰ শিক্ষাৰে যে কোনো জাতি কোনো সমাজেই কেতিয়াও জগতত উন্নতি কৰিব পৰা নাই আৰু নোৱাৰেও তাৰ প্ৰমাণ ইতিহাসেই দিয়ে আৰু দিবও। যি দিনত মুচলমান জগতৰ আগত আদৰ্শ সভ্য, শিক্ষিত আৰু জ্ঞানী আছিল সেই দিনত মতা তিৰুতাই সমানে ভৰি মেলি হে উন্নতিৰ বাটত সিমান খিনি আগুৱাব পৰিছিল। যি দিনৰপৰা মুচলমানে তিৰুতাৰ সমাজটোক ধৰি হাত ভৰি বান্ধি পেলাই ঘৰৰ চুকত ঠাই দিলে সেই দিনাৰপৰাই এই অধঃপতন। আজিৰ দিনত মুচলমানৰ ভিতৰত কোনটো জাতিয়ে বৰ্ত্তমানৰ উন্নতিশীল জাতিৰ আগত চকুলৈ চাই কথা কব পাৰে? নিজৰ কৰ্ম্মফলেই আমাৰ মুৰ দোবাঁই নানে নে? আমি এতিয়া তিতিলোঁ, বুৰিলোঁ, জুকলি-জুপুৰি হলোঁ, সেই বুলি আমি শিকিলোঁ কিটো? আমাৰ চকুৰ আগতে হিন্দু সমাজে অতীত সুঁৱৰি বৰ্ত্তমান অৱস্থালৈ চাই খেলিমেলি হৈ যোৱা জাতিবিলাকৰ ভিতৰত একতা আৰু সম্প্ৰীতি স্থাপনৰ যি উদ্যোগ আৰু আয়োজন আৰম্ভ কৰিছে, অন্ধ পতিত আমি তালৈ কি মন দিবৰ সাধ্য আছে! আমি সদায় বৰ বৰ বিখ্যাত



একোখন বাতৰি কাকত লৈ চকি মুৰ্হাত বহি ঠেং জোকাৰি জোকাৰি ইউৰোপ আমেৰিকাৰ চৰিতালোচনাত ব্যস্ত! আমাৰেই ওচৰচুবুৰীয়া ভাই-ককাই আৰু বাই-ভনীৰ তেহেলৈ যিহকেই হওক, যেনে অৱস্থাতেই থাকক, সেইবোৰলৈ কাণ মন দিবৰ আমাৰ আজৰি ক'ত? আমি যে সদাই সেইবিলাকৰ কাণ্ড-কাৰখানা চায়েই অবাক! তেওঁলোকৰ বিদ্যা বুদ্ধি ব্যৱসায় বাণিজ্য আৰু একো একোটি বৈজ্ঞানিক আবিষ্কাৰৰ কথা শুনিয়েই আমাৰ মুখেদি ওলাই যায়—"কি কল বানাইল কুম্পানি মহাৰাজ"!! আমি লোকৰ বৈজ্ঞানিক আবিষ্কাৰ দেখি দেখি আমাৰ নিজৰ পাচী খৰাহীকিটা সজাৰ ধৰণটোও পাহৰি গৈছোঁ; অসমীয়াক এতিয়া সেইবোৰ বস্তু আনেহে যোগাব লাগে!

আজি কিছুমান দিনৰপৰা বহুতো ভদ্ৰ অসমীয়া পৰিবাৰৰপৰা অসমীয়া সাজ-পাৰ একেবাৰে উঠিয়েই গৈছে। আমাৰ সমাজে তেওঁলোকৰ নিজ নিজ তিৰুতাক বাহিৰে যেনেকৈ বংচঙীয়াকৈ সজাইপৰাই দেখিবলৈ ভাল পায়, সেইদৰে যদি অন্তৰৰ আন্ধাৰ আৰু মলিনতালৈকো এবাৰ চকু দিলেহেঁতেন, তেনেহলে নেজানো আমাৰ অৱস্থাৰ কি পৰিবৰ্ত্তনেই হ'লহেঁতেন! আনৰ কথা এৰি আমাৰ তিৰুতা সমাজটোৰ কথাকে এবাৰ ভাবি চাবলৈ গলে আচৰিত হব লাগে। আমাৰ ধৰ্ম্মৰ ইতিহাস সম্পকে তেওঁলোক ইমানেই একো নজনা যে—"আল্লা আৰু আল্লা, ৰচুল আৰু আল্লাৰ দোচেক।" এই কথাৰ বাহিৰে তেওঁলোকৰ বহুতেও আৰু একো কব নোৱাৰে। নামাজ পঢ়িব লাগে প'ঢ়ছে আৰু ৰোজা ধৰিব লাগে ধৰিছে। আৰু এনেকুৱাও কিছুমান তিৰুতামানুহ আছে যি হিন্দুপ্ৰধান গাঁও-ভুঁইত থাকি নিজ ধৰ্ম্ম-কৰ্ম্ম পাহৰি বেছিভাগৰ আচাৰ ব্যৱহাৰেৰে হিন্দুৰ আদৰ্শত গঢ়া! সেইবিলাকক সময়োচিত বক্তৃতা আৰু উপদেশ আদিৰে সকলো বুজাবলৈ এক মাত্ৰ শিক্ষিতা তিৰুতাৰ হে সুবিধা। কিন্তু তেনেকুৱা সুশিক্ষিতা তিৰুতা আমাৰ ভিতৰত আৰু কত? মৌলবী মুন্সিৰ যি উৰ্দ্দু-ফাৰ্চী বক্তৃতা তিৰুতাই বুজা দুৰৈত থাওক সাধাৰণ মতা মানুহেই কেতিয়া উঠো, কেতিয়া উঠো কৈ থাকে! আমাৰ অৱস্থাৰ এয়েই পূৰ্ণ-চিত্ৰ নহয় আৰু আছে।

যদিও আমাৰ ভিতৰত বহুতেও তেওঁলোকৰ নিজ নিজ ছোৱালী-হঁতক বালিকা-স্কুলত নাম লগাই দিছে তথাপিও উপকাৰৰ ঠাইত তেওঁলোকে শন্যৰ বাহিৰে আন একোটো পোৱা নাই বুলি আমাৰ বিশ্বাস। কিয়নো, কোনো মুচলমান ছোৱালীয়েই ৮।৯ বছৰৰ সিফালে আৰু ওলাই সোমাই ফুৰাৰ অধিকাৰ নাই। ইয়াৰ ভিতৰত বৰ বেছিকৈ "বিদ্যাৰ জোৰ" ধৰিলেও "ল'ৰা সখি"ৰপৰা হাত সাৰি আৰু কোনো 'সখী-সখা"ৰ লগ ধৰাৰ উপায় নাই! আমাৰ ছোৱালীবোৰে ঘৰত বহি অলপো বিদ্যা আৰু কিঞ্চিৎমানো জ্ঞান আৰ্জিবলৈ একেবাৰেই বাট মাৰি থৈছে কোনে?— আমি অসমীয়া মুচলমানেই নহওঁনে? আমি যদি এনেকুৱা দুই চাৰিখন নীতি আৰু উপদেশপূৰ্ণ কিতাপ আমাৰ ভাষাত লেখি ৰাখিলোঁহেঁতেন তেনেহলে আজি আমাৰ এই দুৰ্দ্দশা হবলৈ কেতিয়াও নেপায়। এতিয়াও জানা আমি এইবোৰৰ একোকে প্ৰতিকাৰ কৰিব নোৱাৰোঁ? পাৰোঁ যদি নকৰোঁ কিয়? আমি ইমান দিনে কি কৰিছোঁ, কি মেলিছোঁ তাৰে এখন তালিকা কৰি নেচাওঁ কিয়? জগতৰ হিত চিন্তা কৰা দূৰৈত থাওক এতিয়া আমি আমাৰ নিজৰেই হিতাহিত চিন্তা কৰিবলৈ মগজুৰ অভাৱ পৰিল নেকি? আমাৰ কৰলগীয়া কথাৰ ইমানতেই শেষ নহয়, গোটেইটো অৱস্থাৰ ই একাংশহে মাথোন।

এম. মোছলেহ উদ্দিন আহমদ।

---

## গৌৰীশঙ্কৰ।

উথলিছে উচ্ছাহত, স্বৰগত আজি
সুললিত মধুময় বুকলীৰ সুৰ।
হৰষৰ ৰস সঁতে, বেজাৰৰ সুৰে,
করুণ ৰসেৰে, আকুল কৰিছে প্ৰাণ,
পদুম পাহিৰ হাঁহি, শূন্যে শূন্যে ভাহি,
অনন্ত আকাশ মাজে মাৰ গল হায়।

শ্ৰীকৃষ্ণকান্ত সন্দিকৈ।



## একেই।

একেই সুৰতে সকলো বন্ধা,
জানাবা আৰু নাজানা।
একেই তাঁৰতে সকলো গাঁথা
মানাবা আৰু নামানা॥
একেই মৰণে সকলো মৰে,
মৰিব খোজা (বা) নোখোজা।
একেই জনম সকলোৰে ধৰে,
ধৰিব খোজা (বা) নোখোজা॥
একেই কথাকে সকলোৰে কয়,
যি ভাষাত যেনে হোক।
একেই ৰাগকে সকলোৰে টানে
যি সুৰে যেনে ৰওক॥
একেই জোৰোণে সকলো জোৰা,
বন্ধা আছে এখন তাঁত।
দশাৰ ফেৰত যিমান ঘূৰক
আগে পিছে একে বাট॥
একেই নিয়মে গঢ়িছে সকলো,
যত কৰে কোলাহল।
ভাঙ্গিব তাক নোৱাৰে কোনোৱে
কাৰিকৰৰ যেনে কল॥
একেই ধৰম একেই কৰম,
এজনৰে যি ৰচনা।
একৰ দুনাই বিচাৰিলে নাই
যতেক কৰে কল্পনা॥

শ্ৰীবিষ্ণুৰাম বড়া।

---

## বৰ মতা।

সৃষ্টিৰ আৰম্ভনতে ব্ৰহ্মাই তিকতা সাজিব খোজোঁতে দেখিলে যে মতা মানুহটোক গঢ়োঁতেই সকলো সজুলি ওৰ পৰিল। তেওঁ বিমোৰত পৰি বহুত চিন্তাৰ পাছত এটা উপায় উলিয়ালে। জোনৰ ঘুৰণীয়া গঢ়টি, লতাৰ বেঁকা আঁকটি, লেতুসেতু মেৰিয়াইধৰা কোমল আগটি, মলয়াত ধীৰে ২ লৰি থকা ডুবৰিপাতৰ কঁপনিকণি, দলনিৰ লাহী গাটি, ফুলা ফুলৰ জেউতি-খিনি, লৰি-চৰি থকা পাতৰ পাতল স্বভাবটি, হাতীদাঁতৰ চুচিমৰা আগটি, হৰিণাৰ চকু জুৰি, মৌৰ ৰহঘৰাখিনি, বাওলী বেলিৰ নাচি থকা জিলিঙনিকিটি, মেঘৰ কান্দোনখিনি, বায়ুৰ চঞ্চলতা, শহৰ ওলাওঁ নোলাওঁ কোচমোচ পোৱা ভয়ৰ ভাবটি, মৰাৰ চালি ধৰাৰ ভেমটি, ভাটৌৰ বুকৰ কোমলতা ফেৰি, পাষাণৰ কৰ্কশতা, মৌৰ মাধুৰীখিনি, বা-ৰ হৃদয়হীনতা স্বভাবটো, অগনিৰ মিঠা লগা তাপখিনি, বৰফৰ গোটমৰা বা ঠেৰেঙা লগোৱা শীতলতাখিনি, কাউৰীৰ কেলকেলনিখিনি, কুলিৰ 'কুউ' ২ মিঠা মাতটি, বগলীৰ, ফাকতিখিনি, চকৈ-চকোৱাৰ প্ৰণয়খিনি গোটাই লৈ এজনী তিকতা কৰিলে। তিকতাজনী মানুহটোক দিলে। সাদিনৰ পাছত মানুহটোৱে আহি কলে "প্ৰভো আপুনি যিটো জন্তু মোক দিছিল সি মোৰ জীৱনটো যন্ত্ৰণাময় কৰিব খুজিছে। মোৰ ওচৰৰপৰা এখন্তেকো নুগুচে। এনে আমনি দিছে। এখন্তেকো মই নিৰলে থাকিব নোৱৰা হলোঁ। সদায় মোক তাইৰ লগত থাকিবলৈ বিচাৰে আৰু মই তাইৰ কথা শুনি থাকিব লাগে। এই দৰে তাইৰ লগতে লাগি থাকি মোৰ দিন অনৰ্থকতে গৈছে। মই আৰু এই জন্তুটোৰ লগত একে লগে থকা অসম্ভৱ যেন দেখি আপোনাৰ বস্তু আকৌ আপোনাকে গটাই দিবলৈ এইক আনিছোঁ। প্ৰভু এইক ৰাখি মোক নিস্তাৰ কৰক।"

ব্ৰহ্মা। বাৰু তাইক থৈ যোৱা।

আকৌ সাদিনৰ মুৰত মানুহটো আহি জনালে "প্ৰভু আপুনি দিয়া জন্তুটো ওলোতাই দিয়াৰপৰা দেখোন মোৰ অকলশৰীয়া ২ লগা হল। এতিয়া মোৰ মনত পৰিছে তাই নাচিছিল, মোক গীত গাই শুনাইছিল, কেৰাহি



কেৰাহিকৈ মোলৈ চাইছিল, মোৰ লগত খেমালি-ধুমুলা কৰিছিল, কেতিয়াবা ২ মোক সাবটি ধৰিছিল, আতুৰে আশ্ৰয় বিচৰাৰ দৰে মোৰ বুকত সোমাই মোৰ সহায় প্ৰাৰ্থিনী হৈছিল, হাঁহিছিল, সেই হাঁহি মধুৰ সঙ্গীত যেন মোৰ কাণত লাগিছিল, দেখিবলৈ বৰ ধুনীয়া আছিল, তাইক চাই ২ মোৰ চকুৰ হেঁপাহ পলুৱাইছিলোঁ, তাইৰ গাটি বৰ কোমল আছিল, চুই বৰ সুখ উপভোগ কৰিছিলোঁ।"

ব্ৰহ্মা। বাৰু যদি লাগে লৈ যোৱা তাইক।

নিয়াৰ তিন দিন কি চাইদিন হবলৈ নৌ পাওঁতেই মানুহটোৱে আকৌ আহি কলেহি "মই এতিয়াহে ভালকৈ বুজিব পাৰিলোঁ, তাইৰপৰা মোৰ সুখ হোৱাতকৈ দুখ হে বেছি হল। সেই কাৰণে তাইক মই আৰু এই বাৰৰপৰা নিবিচাৰোঁ বুলি আপোনাক শোধাই দিবলৈ আনিলোঁ।"

ব্ৰহ্মা। চুপতি কৰিবলৈ নাহিবি। ভালে ২ মোৰ ইয়াৰপৰা ওলা। তাইক যেনেকৈ পাৰ চম্ভালি ল গৈ। যা গুচ!

মানুহটো। প্ৰভু মই হলে সঁচা কৈছোঁ, তাইৰ লগত আৰু মই থাকিব নোৱাৰোঁ।

ব্ৰহ্মা। তাই নহলেও দেখোন এই থাকিব নোৱাৰ, তই বুলি কৈ তেও নিজৰ কামলৈ গল গৈ। মানুহটোৱে বিবুদ্ধি খাই এই দৰে গুণিবলৈ ধৰিলে "এতিয়ানো কি কৰোঁ? তাইৰ লগত তো আৰু থাকিব নোৱাৰোঁ। হওঁতে এইটোও সঁচা তাই নহলেও দেখোন মোৰ দিন নোযোৱা হয়। মোক ভাল আপদে পালে!"

পুতৌ।

---

## পোৱা কিতাপৰ বিষয়ে।

Short account of Assam by srijut Benudhar Rajkhowa B. A. of the Provincial Civil Service, Assam. Price Rupee one only. Dedicated to Lieutenant Colonel P. R. T. Gurdon C. S. I. Commissioner of the Assam Valley Districts. চমুকৈ গুৰণি আসামৰ বিষয়ে ইংৰাজী ভাষাত লেখা এই কিতাপখনি পাই আমি

বৰ সন্তোষ পাইছোঁ। কি অসমীয়া কি বিদেশী সকলোৱে এই কিতাপ পঢ়ি যি গুণ পাব সি সদায় কামত লাগিব। এই সুন্দৰ কিতাপখন পঢ়ি অসমীয়াই নিজক চিনিব, বিদেশীয়ে অসমীয়াক চিনিব। ইয়াৰ এখন অসমীয়া ভাঙনি কৰিবলৈকো আমি বাজখোৱা ডাঙৰীয়াক কওঁ। তেখেতে মনে মনে বহুত কাম কৰিব লাগিছে যিবোৰৰ আয়ুস দীঘলীয়া। আমাৰ কৃতজ্ঞতাৰ বাহিৰে আৰু তেখেতক নো কি দিম, কি দিবলৈ আছে ?

---

# মলয়াৰ নিচুকনি।

(গান)

মলয়া উৰুটি কই গ'ল মোক,—
তুমি কিয় পাকা কৰি এনে শোক,
চোৱা বিহগ কৰিছে ৰঙ্গ
নাচে আনন্দে ধৰণী।

দূৰণিৰ গীত আনি দিছোঁ মই
কত কাননৰ ফুলৰেণু লই,
হিয়াৰ কৰুণা বিৰহ বাসনা,
কত মিলনৰ কাননী।

ভাবি ভাবি কিয় হ'লা বিয়াকুল,
তোমাৰ কাৰণে ফুলিছে যি ফুল,
নন্দনে তাৰ নেপাওঁ বিচাৰ
সন্ধান কৰি কুলনি।

শ্ৰীসূৰ্য্যকুমাৰ ভূঞা।

---